সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১৯ সংখ্যা,২৭ বহা'গ , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 19 Date of Publication- 11 May 2025 Rs. 10.00/-


## যুদ্ধবিৰতি উলংঘা পাকিস্তানৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ সৈতে যুদ্ধবিৰতিৰ সহমতত উপনীত হোৱা বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ তিনি ঘণ্টাৰ পাছতে পুনৰ যুদ্ধবিৰতি উলংঘন কৰিছে পাকিস্তানে। সন্ত্ৰাসবাদক লৈ দুমুখীয়া নীতি গ্ৰহণ কৰি থকা পাকিস্তানে যুদ্ধবিৰতিৰ সহমতত উপনীত হৈ তিনি ঘণ্টাৰ পাছতে জম্মু-কাশ্মীৰৰ এলঅ'চিত ধাৰাসাৰ গুলীবৰ্ষণ আৰম্ভ কৰে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ পুঞ্চ, আখনুৰ, ৰাজৌৰীত যুদ্ধবিৰতি উলংঘন কৰি গোলাবৰ্ষণ কৰি অঞ্চলটোত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। পাকিস্তানী সেনাৰ গুলীবৰ্ষণক তীব্ৰ প্ৰত্যুত্তৰ দিছে ভাৰতীয় সেনাই। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি শ্ৰীনগৰত প্ৰচণ্ড বিস্ফোৰণৰ শব্দ শুনা গৈছে। শ্ৰীনগৰত ব্লেক আউট ঘোষণা কৰা হৈছে। আনহাতে, গুজৰাটৰ কুচ্ছতো পাকিস্তানী

(দহ পৃষ্ঠাত চাওক)

## ভাৰতীয় সেনাৰ 'অপাৰেচন সিন্দূৰ'ত ৫ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত সন্ত্ৰাসবাদীৰ ৯ টা ঘাটিত আক্ৰমণ চলোৱা ভাৰতীয় সেনাৰ 'অপাৰেচন সিন্দূৰ'ত জইছ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজাহাৰৰ ভাতৃ ৰোফ আজাহাৰৰ পিছত খুলখালী দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ইউছুফ আজাহাৰো নিহত হৈছে। জইছ-ই-মহম্মদৰ লগতে নিষিদ্ধঘোষিত সংগঠন লস্কৰ-ই-তৈবাৰো কেইবাজনো দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী 'অপাৰেচন সিন্দূৰ'ত নিহত হৈছে। জম্মু-কাশ্মীৰকে ধৰি ভাৰতৰ সংসদ ভৱন,

(দহ পৃষ্ঠাত চাওক)

## মহানগৰীত পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ প্ৰকল্প উদ্বোধন

ৰঙিলী বাৰ্ত্তাসেৱা- লোকসেৱা ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীত পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ অভিলাষী প্ৰকল্প আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই অনুষ্ঠানৰ জৰিয়তে প্ৰথম পৰ্যায়ত গীতানগৰ অঞ্চলৰ ১০১টা পৰিয়ালক সামৰি লোৱা হৈছে। আনহাতে, এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই শিলচৰত বৰাক উপত্যকাৰ প্ৰথমটো চিএনজি ষ্টেচন আভাসীয়ভাৱে উদ্বোধন কৰাৰ লগতে হাজো, শুৱালকুছি, ৰঙিয়া আৰু বাইহাটা চাৰিআলিত পাইপযোগে গেছ যোগানৰ প্ৰাৰম্ভিক কামৰো শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো এটা গৌৰৱৰ দিন বুলি অভিহিত কৰি পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেডৰ দ্বাৰা পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ এই পদক্ষেপক এক উজ্জ্বল ভৱিষ্যতৰ আৰম্ভণি তথা এক সূৰ্যোদয়ৰ যাত্ৰা আখ্যা দি তেওঁ কয় যে কামৰূপ আৰু কামৰূপ (মহানগৰ)




জিলা তথা কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত চিটী গেছ বিতৰণ নেটৱৰ্ক স্থাপনৰ উদ্দেশ্যে অসম গেছ কোম্পানী লিমিটেড, অইল ইণ্ডিয়া লিমিটেড আৰু গেইল গেছ লিমিটেডৰ যৌথ প্ৰতিষ্ঠান হিচাপে পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড গঠন কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে এটা স্বচ্ছ নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে অসমত চিটী গেছ বিতৰণ নেটৱৰ্ক স্থাপনৰ কাম আৰম্ভ কৰিছে। ৰাজ্যৰ অন্যান্য অঞ্চলতো এইদৰে পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ উদ্দেশ্যে কাম-কাজ অব্যাহত আছে। এইদৰে প্ৰাকৃতিক গেছ যোগানৰ কামত

(দহ পৃষ্ঠাত চাওক)

## পাকিস্তানক আই এম এফৰ ১ বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ মঞ্জুৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ সৈতে সংঘাতত লিপ্ত হোৱা পাকিস্তানে আইএমএফৰ পৰা এক বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ লাভ কৰাটো নিশ্চিত হ'ল। আইএমএফে সন্ত্ৰাসবাদীৰ পৃষ্ঠপোষক পাকিস্তানক এক বিলিয়ন মাৰ্কিন ডলাৰ ঋণ মঞ্জুৰ কৰাত উদ্বিগ্নতা প্ৰকাশ কৰিছে ভাৰতে। আইএমএফৰ ঋণৰ ধন পাকিস্তানে অপব্যৱহাৰ কৰি সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰো দাবী কৰে নতুন দিল্লীয়ে। পূৰ্বতেও পাকিস্তানে আইএমএফৰ কাৰ্যসূচীৰ জৰিয়তে ঋণ লাভ

(দহ পৃষ্ঠাত চাওক)

## স্নাতকৰ নামভৰ্তিৰ বাবে জাননী জাৰি শিক্ষা বিভাগৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ শিক্ষা বিভাগে উচ্চ শিক্ষানুষ্ঠানসমূহত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে জাননী জাৰি কৰিছে। শিক্ষা বিভাগে 'সমৰ্থ' প'ৰ্টেলৰ যোগেদি চলিত ২০২৫-২৬ বৰ্ষৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তি সম্পৰ্কীয় সময়সূচী প্ৰকাশ কৰিছে। চলিত বৰ্ষৰ ৰব এপ্ৰিলত সমৰ্থ প'ৰ্টেলযোগে ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰম্ভ কৰা হৈছিল। বিভাগীয় নিৰ্দেশনা অনুসৰি অহা ৰচ মে'ৰ পৰা নামভৰ্তি সম্পৰ্কীয় ব্যৱস্থাসমূহ আৰম্ভ হ'ব। প্ৰকাশিত নিৰ্দেশনা অনুসৰি অনা-উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষাত অৰ্থাৎ নন-চিইউইটিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত অহা ১২ মে'ৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৩ৰ পৰা ২৫ মে'লৈকে ছাত্ৰ-ছাত্ৰীৰ বাবে সংশোধনৰ সময়সীমা, ২৬-২৮ মে লৈকে উচ্চ শিক্ষানুষ্ঠানৰ দ্বাৰা সংশোধিত আবেদনৰ পৰীক্ষণ যদি থাকে সেয়া সম্পন্ন কৰা হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধাৰ তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধাৰ তালিকা প্ৰকাশ কৰা হ'ব।

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় পৃষ্ঠা

# অপাৰেশ্যন সেন্দুৰ, ভাৰত মাতা কী জয়

সমুজ্জ্বল ডেকা, ৰঙিয়া
পুঠিমাৰী মহাবিদ্যালয়, অসমীয়া বিভাগ,
স্নাতক দ্বিতীয় ষাণ্মাসিক





ভাৰত আৰু পাকিস্তানৰ সংঘাতৰ ইতিহাস দীঘলীয়া আৰু জটিল, মূলতঃ কাশ্মীৰৰ বিবাদিত অঞ্চলক কেন্দ্ৰ কৰি। ১৯৪৭-১৯৪৮ চনত ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰথমখন যুদ্ধ সংঘটিত হৈছিল, ৰাজকীয় ৰাজ্য জম্মু-কাশ্মীৰক লৈ যুদ্ধ। পাকিস্তানে ৱাজিৰস্তানৰ পৰা জনজাতীয় লস্কাৰ (মিলিচিয়া) নিক্ষেপ কৰিছিল, যাৰ ফলত ভাৰতে সামৰিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। ১৯৬৫ চনৰ ভাৰত-পাকিস্তানী ১৭ দিনীয়া যুদ্ধৰ অন্ত পৰিছিল যুদ্ধবিৰতিৰে, দুয়োপক্ষই বিজয়ৰ দাবী কৰিছিল। স্থলভাগত ভাৰতৰ হাত আছিল, আনহাতে পাকিস্তানৰ বায়ুসেনাই ভাল প্ৰদৰ্শন আগবঢ়াইছিল। আকৌ ১৯৭১ চনৰ ভাৰত-পাকিস্তানী যুদ্ধত ভাৰতৰ নিৰ্ণায়ক বিজয় যাৰ ফলত বাংলাদেশ সৃষ্টি হয়। ভাৰতে প্ৰায় ৯৩,০০০ পাকিস্তানী যুদ্ধবন্দীক বন্দী কৰি শক্তিশালী সামৰিক পদত অধিষ্ঠিত কৰিছিল।

কাৰগিল যুদ্ধ (১৯৯৯) ত ভাৰতীয় কাশ্মীৰত পাকিস্তানৰ অনুপ্ৰৱেশৰ ফলত উদ্ভৱ হোৱা সংঘাত, যিটো ভাৰতে শেষত পিছুৱাই লৈ যায়। ২০১৯ চনত ভাৰত-পাকিস্তান সীমান্তৰ সংঘৰ্ষত পুলৱামাত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ষ্টেণ্ডঅফ, যাৰ ফলত সীমা অতিক্ৰম কৰি বিমান আক্ৰমণ আৰু বন্দুকৰ গুলীৰ আদান-প্ৰদান।

বৰ্তমান ২০২৫ চনৰ শেহতীয়া খবৰ অনুসৰি কাশ্মীৰৰ পেহেলগাম লৈ যোৱা ২৬ লোকক পাকিস্তানী সৈন্যই হিন্দু ধৰ্মাৱলম্বী হোৱা বাবে যি হত্যাকাণ্ড সংঘটিত কৰিলে তাৰ প্ৰতিশোধ স্বৰূপে ভাৰতীয় সৈন্যই “অপাৰেশ্যন সিন্দুৰ” আৰম্ভ কৰে। দেশৰ পৰিস্থিতি অস্থিৰ হৈ আছে। বিশ্বাসঘাটক পাকিস্তানে যুদ্ধ বিৰতি ল’ব বুলি কৈ কথাৰ উলংঘা কৰি পুনৰ আক্ৰমণ কৰাত উত্তেজনা আৰু সংঘাতৰ জটিলতা বৃদ্ধি পাইছে।

# দানৱৰ বংশ বৃদ্ধি



দেৱাশীষ গোস্বামী

মানৱ আৰু দানৱ। মানবীয় গুণ সমূহেৰে পুষ্ট আমিবোৰ মানৱ আৰু আসুৰিক গুণেৰে পুষ্ট আমিবোৰ অসুৰ বা দানৱৰ বংশধৰ, সন্দেহাতীত ভাবে, নহয়নে বাৰু? আমি যিমানেই উন্নতিৰ জখলাত বগাইছো বুলি দাবী কৰিছো, মৰম চেনেহ, ভালপোৱা, সন্মান, পৰোপকাৰ, ধৈৰ্য, সহিষ্ণু, দয়া, আনৰ দুখত দুখী, আনৰ সুখত সুখী আদি মানবীয় গুণবোৰৰ অৱক্ষয় আৰম্ভ হৈছে। এই গুণবোৰৰ অভাৱত একোখন সমাজ, আমাৰ নৱপ্ৰজন্ম ভয়াবহ অন্ধকাৰৰ দিশে গতি কৰিছে। চৌদিশে ভয়-শংকাৰ উদ্ৰেক। আমাৰ প্ৰিয়জন, অতিকৈ চিনাকীজন সময়ত সুস্থ শৰীৰে ঘৰলৈ উভতি নহালৈকে আমিবোৰ চিন্তাৰ আবেষ্টনীত। ক’ত যে জীৱন বন্তি অকালতে নুমাই গৈছে মানৱ সমাজত নিৰ্বিঘ্নে টিঘিল ঘিলাই ফুৰা দানৱ, অসুৰৰ দানৱীয়, আসুৰিক অত্যাচাৰ সহিব নোৱাৰি। বহুক্ষেত্ৰত আমি প্ৰত্যক্ষদৰ্শী হৈও মৌনব্ৰত ধাৰণ কৰো, চকু বন্ধ কৰি লও বা মুখ ঘূৰাই লওঁ, সন্মুখত ঘটি থকা অন্যায়, অত্যাচাৰৰ বিপক্ষে মাত মতা, প্ৰতিবাদ কৰা প্ৰতিহত কৰাৰ বিপৰীতে নিৰাপদ দূৰত্বত অৱস্থান কৰো এই কাৰণে যে মোৰ বা মোৰ ঘৰৰ মানুহৰ লগততো হোৱা নাই, হ’লে দেখা যাব ধৰণৰ মানসিকতাৰ বশৱৰ্তী হৈ। আমি পাহৰি যাওঁ বা ভাবিবলৈ চেষ্টাই নকৰো যে যি উচিত সময়ত মই প্ৰতিবাদ, প্ৰতিহত নকৰিলো, মই বা মোৰ ঘৰৰ মানুহৰ ঠিক তেনেধৰণৰ পৰিস্থিতিত কোন আগবাঢ়ি আহিব, অন্যায়, অত্যাচাৰৰ ঢাল হৈ দিব নে ঠিয় কোনোবা? নিজৰ লগতে একমাত্ৰ আপোন ঘৰখন সুৰক্ষিত হৈ থাকক, নানা সা-সুবিধা, লাহ-বিলাসেৰে জীৱনতো আগুৱাই নিয়াৰ মানসিকতা তথা আন দহজনৰ বাবে ভাবিবলৈ এৰি দি, দুনীয়া জহন্নামে যাওঁক, মই আৰু মোৰ ঘৰখন বুলি ভাবিবলৈ আৰম্ভ কৰাৰ মূহুৰ্ততে আমাৰ সমাজখনত অসুৰ, দানৱৰ দপদপনি বৃদ্ধি পালে। আঠুৱা চাই ঠেং মেলাৰ বিপৰীতে মৰিচীকা খেদি উচ্চাকাংখ্যাৰ বশৱৰ্তী হৈ তেনেই ক্ষন্তেকীয়া ভোগ লালসাৰ তাড়নাত আমাৰ মন-মগজুত বিষাক্ত কীটটোৱে দিয়া উকমুকনিত জন্ম লভে একো একোটা দস্যু, দানৱ, অসুৰৰ। বৰ্তমান পৰিস্থিতিত ‘Easy Money’ আৰু নানা ভোগ বিলাসৰ প্ৰতি ধাবিত আমাৰ কৰ্ম কাণ্ডই প্ৰধানত সাৰ পানী যোগাইছে দস্যু দানৱৰ বংশ বৃদ্ধিত।

আনহাতে ধৈৰ্য, সহিষ্ণুতা আদি গুণসমূহৰ অভাৱেও আমাৰ বহুতকে দস্যু-দানৱৰ শাৰীলৈ অৱনমিত কৰাইছে, আসুৰিক মানসিকতা, কৰ্ম-কাণ্ডৰ উত্তৰণ ঘটিছে।

কঠোৰ হাতেৰে যদি পানী মূৰৰ ওপৰেদি বৈ যোৱাৰ আগতেই আমাৰ চাৰিওফালৰ অসুৰ, দস্যু, দানৱ সমূহক দমন কৰি বংশ বৃদ্ধি ৰোধ কৰা নাযায় মানুহ হোৱাৰ গৌৰৱ ধূলিস্যাত হৈ মানৱীয় গুণসমূহ ইতিহাসৰ পৃষ্ঠাতহে কেৱল লিপিবদ্ধ হৈ ৰ’ব।

# সিন্ধু জল চুক্তি বাতিল সিদ্ধান্তত হস্তক্ষেপ নকৰে বিশ্ব বেংকে



ৰঙিলী বাৰ্তাসেৱা- পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ বৃহৎ কূটনৈতিক জয়। সিন্ধু জল চুক্তি সম্পন্ন কৰাত উদ্যোগ লোৱা বিশ্ব বেংকৰ অধ্যক্ষ অজয় বাংগাই ভাৰতে বাতিল কৰা সিন্ধু জল চুক্তিৰ সিদ্ধান্তত হস্তক্ষেপ নকৰে বুলি ঘোষণা কৰে। বিশ্ব বেংকৰ অধ্যক্ষ অজয় বাংগাৰ এই সিদ্ধান্ত পাকিস্তানৰ ওপৰত মোক্ষম আঘাত। উল্লেখ্য যে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰ মিনি ছুইজাৰলেণ্ডখ্যাত পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে ২৫ পৰ্যটকসহ ২৬ নিৰীহক বৰ্বৰতাৰে হত্যা কৰাৰ পাছতেই ভাৰতে চিৰবৈৰী পাকিস্তানৰ বিৰুদ্ধে কেইবাটাও কঠোৰ কূটনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত সিন্ধু জল চুক্তি বাতিলো আছে। বিশ্ব বেংকৰ উদ্যোগত ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু জল চুক্তি সম্পন্ন হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতেই ভাৰতে একপক্ষীয়ভাৱে সিন্ধু জল চুক্তি বাতিল কৰাৰ বাবে ক্ষুণ্ণ পাকিস্তানে ভাৰতৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰে। আনকি এই সন্দৰ্ভত বিশ্ব বেংককো অভিযোগ উত্থাপন কৰে। ২৩ এপ্ৰিলত ভাৰতে (আঠপৃষ্ঠাত চাওক)

# ৰাণীৰ কৈলাসপুৰ পানী যোগান কেন্দ্ৰৰ দেৱাল বাগৰি পৰিল

ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা পৰিচালিত এখন ব্যয়-বহুল আঁচনি হ’ল জলজীৱন মিছন চমুকৈ জে জে এম। কিন্তু আঁচনিখনৰ সফল ৰূপায়ন হোৱা নাই বুলি ৰাজ্যখনৰ চৌদিশত প্ৰায়ে অভিযোগ উত্থাপন হৈ হোৱা দেখা যায়। তাৰেই এটি সৰু উদাহৰণ হ’ল ২০২৩ বিত্তীয় বৰ্ষৰ অনুদানেৰে নিৰ্মাণ কৰা ৰাণীৰ কৈলাসপুৰ পানী যোগান কেন্দ্ৰটো। গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী তথা পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণীৰ কৈলাসপুৰত নিৰ্মাণ কৰা জলজীৱন মিছনৰ পানী যোগান কেন্দ্ৰটোৰ আনুষ্ঠানিকভাৱে মুকলি হোৱাৰ পূৰ্বেই বাগৰি পৰিল চৌহদৰ এখন দেৱাল। উল্লেখনীয় যে পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ২০২৩ বৰ্ষৰ ২৭ আগষ্টত কৈলাসপুৰ পানী যোগান কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিছিল। ৰাণীৰ ফ’ৰেষ্ট চ’কৰ পৰা নাতি দূৰৈৰ ৰাণী- মাইৰাং আন্তঃৰাজ্যিক সংযোগী পথৰ দাঁতিত নিৰ্মাণ কৰা এই পানী যোগান কেন্দ্ৰটোৰ স্থান পূৰ্বতে অতি দ আছিল। সেই দ ঠাইখিনিত পদ্ধতিগতভাৱে মাটি পেলাই ওখ কৰিব লাগিছিল। কিন্তু উক্ত ঠাইখিনিত যি ধৰণে মাটি পেলাই ওখ কৰিব লাগিছিল সেই ধৰণে কৰা নাছিল বুলি স্থানীয় একাংশ সচেতন লোকে অভিযোগ কৰে। ইপিনে মাটিৰ তলিখন সম্পূৰ্ণৰূপে বহি যাবলৈ নাপাওতেই দেৱাল নিৰ্মাণৰ কাৰ্যও সম্পূৰ্ণ হৈ উঠিছিল। আসোঁৱাহপূৰ্ণভাৱে নিৰ্মাণ কৰি যোৱাৰ ফলত চৌহদৰ দেৱাল খন বাগৰি পৰিল। উল্লেখ্য যে আসোঁৱাহপূৰ্ণ নিৰ্মাণৰ ফলতেই কৈলাসপুৰ পানী যোগান কেন্দ্ৰটোৰ দেৱালখন বাগৰি পৰিছে- এই দাবী ৰাইজৰ। তদুপৰি নিৰ্মাণ কাৰ্যত অতি নিম্নমানৰ শিল, বালি, চিমেণ্ট, ৰ’ড আদি সামগ্ৰী লগতে দেৱাল সমূহত ৰ’ডৰ সলনি




কয়ল ব্যৱহাৰ কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোৰ কেইগৰাকীও সচেতন লোক নিৰ্মাণ কাৰ্যত ব্যৱহৃত শিল, বালি, চিমেণ্টৰ (দহ পৃষ্ঠাত চাওক)

# এসপ্তাহৰ বাবে স্থগিত আইপিএলৰ মেচ



ৰঙিলী বাৰ্তাসেৱা- পেহেলগামৰ নৰসংহাৰৰ প্ৰত্যাঘাত হিচাপে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰ নামেৰ বিধ্বংসী মিছাইল আক্ৰমণ চলোৱাৰ পাছতেই ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পাইছে। এনে পৰিস্থিতিত চলিত আইপিএল ২০২৫ৰ পৰৱৰ্তী খেলসমূহ তাৎক্ষণিকভাৱে এসপ্তাহলৈ স্থগিত ৰখা হৈছে। বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই বিবৃতিযোগে আইপিএল ২০২৫ তাৎক্ষণিকভাবে এসপ্তাহ স্থগিত ৰখা বুলি ঘোষণা কৰিছে। বিবৃতিটোত কয় যে বিচিচিআয়ে চলিত টাটা আইপিএল ২০২৫ তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ এসপ্তাৰ বাবে স্থগিত ৰাখিছে। সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু অংশীদাৰৰ সৈতে পৰিস্থিতি (দহ পৃষ্ঠাত চাওক)

# ধৰমশালাত অনুষ্ঠিত দিল্লী-পঞ্জাবৰ মেচ আধাতে বাতিল




ৰঙিলী বাৰ্তাসেৱা- ধৰমশালাত অনুষ্ঠিত দিল্লী কেপিটেলছ আৰু পঞ্জাব কিংছৰ মাজৰ আইপিএলৰ মেচখন আধাতে বাতিল। বৰষুণৰ বাবে মেচখন পলমকৈ আৰম্ভ হৈছিল যদিও খেলখন চলি থকাৰ মাজতে কাৰিকৰী বিজুতিৰ ঘটনাৰ ফলত মেচখন বন্ধ কৰি দিয়া হয়। ষ্টেডিয়ামত উপস্থিত থকা সকলো দৰ্শকক খেলপথাৰ ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হয়। ইয়াৰ কিছু সময় পিছতে মেচখন বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আয়োজকে। অৱশ্যে ভাৰতীয় ক্ৰিকেট (আঠপৃষ্ঠাত চাওক)

# টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ ৰোহিত শৰ্মাৰ



ৰঙিলী বাৰ্তাসেৱা- আইপিএল চলি থকাৰ মাজতে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিলে টীম ইণ্ডিয়াৰ অধিনায়ক ৰোহিত শৰ্মাই। ৰোহিত শৰ্মাই সামাজিক মাধ্যমত এটা পোষ্ট শ্বেয়াৰ কৰি ঘোষণা কৰে যে তেওঁ টেষ্ট ক্ৰিকেটৰ পৰা তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ অৱসৰ গ্ৰহণ কৰিছে। অৱশ্যে ৰোহিতক এদিনীয়া ক্ৰিকেটত দেখা যাব। পোষ্টটো ৰোহিতে লিখিছে-মই সকলোকে জনাব বিচাৰিছোঁ যে মই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লৈছো। বগা জাৰ্ছী পিন্ধি দেশৰ হৈ খেলাটো মোৰ বাবে এক সন্মান। বছৰ বছৰ ধৰি সকলো মৰম আৰু সমৰ্থনৰ বাবে আপোনালোক সকলোকে ধন্যবাদ। মই ভাৰতৰ হৈ এদিনীয়া ফৰ্মেটত খেলি যাম। যোৱা বছৰ ঘৰৰ মাটিত নিউজিলেণ্ড আৰু বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীত ৰোহিত শৰ্মাৰ আছিল হতাশাজনক প্ৰদৰ্শন। অষ্ট্ৰেলিয়া ভ্ৰমণৰ ছিডনীত অনুষ্ঠিত (নপৃষ্ঠাত চাওক)

# কেন্দ্ৰীয় চৰকাৰৰ আহ্বানত সৰ্বদলীয় বৈঠক অনুষ্ঠিত




ৰঙিলী বাৰ্তাসেৱা- পেহেলগামৰ নৰসংহাৰৰ প্ৰত্যাঘাত অপাৰেচন সিন্দুৰৰ নিৰ্ভুল সফলতাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ আহ্বানত সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰ (পিঅ’কে)ত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদ, লস্কৰ-ই-তৈবা আৰু হিজবুল মুজাহিদীনৰ ঘাটিত ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰ শীৰ্ষকেৰে মঙলবাৰে নিশা বিধ্বংসী আক্ৰমণ চলায়। ভাৰতীয় সেনাৰ অপাৰেচন সিন্দুৰৰ সফলতা সন্দৰ্ভত সৰ্বদলীয় বৈঠকত বিতং ব্যাখ্যা আগবঢ়ায় কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে বিৰোধী দলৰ নেতাৰ উপস্থিতিত সৰ্বদলীয় বৈঠকখনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় সেনাৰ মিছাইল আক্ৰমণত পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত ১০০ সন্ত্ৰাসবাদী নিহত হোৱা বুলি প্ৰকাশ কৰে। (নপৃষ্ঠাত চাওক)

# ভাৰতৰ ১৫খন চহৰলৈ পাকিস্তানে নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰ ধ্বংস ভাৰতীয় সেনাৰ



ৰঙিলী বাৰ্তাসেৱা- পেহেলগামৰ নৰসংহাৰৰ প্ৰত্যাঘাত ভাৰতৰ অপাৰেচন সিন্দুৰৰ পাছত চিৰবৈৰী ৰাষ্ট্ৰখনে চলোৱা আক্ৰমণৰ প্ৰত্যাক্ৰমণৰূপে অপাৰেচন সিন্দুৰৰ দ্বিতীয় দিনা ভাৰতে ৰাজধানী ইছলামাবাদকে ধৰি চুবুৰীয়া দেশখনৰ ১০খন চহৰত বিধ্বংসী আক্ৰমণ চলায়। আৰব সাগৰত নিয়োজিত ভাৰতৰ যুদ্ধ জাহাজ আইএনএছ বিক্ৰান্তক প্ৰথমবাৰৰ বাবে চিৰবৈৰী দেশখনৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হয়। যুদ্ধ জাহাজখনৰ লগতে নৌ সেনাৰ ড্ৰেষ্ট্ৰয়াৰৰ জৰিয়তে চলোৱা প্ৰচণ্ড আক্ৰমণত বিধ্বস্ত হয় কৰাচী বন্দৰ। কৰাচীৰ আন্তঃৰাষ্ট্ৰীয় বন্দৰৰ লগতে সাগৰীয় উপকূলৰ বাণিজ্য চহৰখনতো কেইবাটাও বিস্ফোৰণ ঘটায় নৌ সেনাই। ফলত চহৰখনৰ বিস্তৰ ক্ষতি হৈছে। ইতিপূৰ্বে ভাৰতৰ ১৫খন চহৰলৈ লক্ষ্য কৰি নিক্ষেপ কৰা মিছাইল ভাৰতৰ বায়ুসেনাই বিফল কৰাৰ পাছতেই ভাৰতীয় সেনাই পাকিস্তানৰ ৯খন চহৰত ড্ৰোনেৰে আক্ৰমণ কৰে। পাকিস্তানৰ ৰাৱালপিণ্ডি, লাহোৰ, গুজৰনৱালা, চকৱাল, এটক, বাহাৱালপুৰ, মিএৱালী, কৰাচী আৰু ছৰোত ভাৰতীয় সেনাই ড্ৰোনেৰে আক্ৰমণ কৰাত এই চহৰৰ বিস্তৰ ক্ষতিসাধন হৈছে। কাৰ্যতঃ ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণে এখন পূৰ্ণাংগ যুদ্ধৰ সম্ভাৱনা প্ৰকট কৰি তুলিছে। বৃহস্পতিবাৰে পুৱাৰে পৰা ভাৰত আৰু পাকিস্তানৰ মিছাইল-ড্ৰোন (আঠপৃষ্ঠাত চাওক)

# পাকিস্তানৰ এয়াৰ ডিফেঞ্চ ছিষ্টেম ধ্বংস ভাৰতৰ



ৰঙিলী বাৰ্তাসেৱা- পাকিস্তানৰ এয়াৰ ডিফেঞ্চ ছিষ্টেম ধ্বংস কৰিলে ভাৰতে। পাকিস্তানে ড্ৰ’ন আৰু মিছাইল ব্যৱহাৰ কৰি অৱন্তীপুৰা, শ্ৰীনগৰ, জম্মু, পাঠানকোট, অমৃতসৰ, কাপুৰথালা, জলন্ধৰ, লুধিয়ানা, আদমপুৰ, বাথিণ্ডা, চণ্ডীগড়, নল, ফালোভী, উত্তৰলাই আৰু ভুজকে ধৰি উত্তৰ আৰু পশ্চিম ভাৰতৰ কেইবাটাও সামৰিক প্ৰতিষ্ঠানত আক্ৰমণৰ চেষ্টা চলাইছিল। কিন্তু ভাৰতীয় সেনাই ইউ এ এছ গ্ৰীড আৰু এয়াৰ ডিফেন্স চিষ্টেমৰ জৰিয়তে এই আক্ৰমণ নিষ্ক্ৰিয় কৰে। এই আক্ৰমণৰ ধ্বংসাৱশেষ এতিয়া বহু ঠাইৰ পৰা উদ্ধাৰ কৰা হৈছে যিয়ে পাকিস্তানৰ আক্ৰমণ নিশ্চিত কৰে। বৃহস্পতিবাৰে পুৱা ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ একাধিক স্থানত এয়াৰ ডিফেন্স ৰাডাৰ আৰু চিষ্টেমক লক্ষ্য কৰি লয়। সূত্ৰ অনুসৰি ভাৰতীয় সেনাই লাহোৰত এয়াৰ ডিফেন্স চিষ্টেম ধ্বংস কৰিছে। ভাৰতে ইতিমধ্যে স্পষ্ট কৰি দিছিল যে পাকিস্তানৰ কোনো সামৰিক মুখ্য কাৰ্যালয়ক লক্ষ্য (নপৃষ্ঠাত চাওক)


# ‘অপাৰেচন সিন্দূৰ’ঃ পেহেলগাম আক্ৰমণৰ প্ৰত্যুত্তৰ দিলে ভাৰতে

ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় সেনাৰ আক্ৰমণত মাজনিশা কঁপি উঠিল পাকিস্তান। পাকিস্তানক প্ৰতিশোধৰ প্ৰত্যাঘাত ভাৰতৰ পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ভাৰতীয় তিনি সেনাবাহিনীৰ বিৰল আৰু সাহসী অভিযান ‘অপাৰেচন সিন্দুৰ’। পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত চলোৱা নৰসংহাৰৰ প্ৰত্যাঘাত হিচাপে মঙলবাৰে মাজনিশা ভাৰতীয় সেনাই পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত প্ৰৱেশ কৰি আকাশমাৰ্গেৰে প্ৰচণ্ড আক্ৰমণ চলায়। ভাৰতীয় সেনাৰ বিমান আক্ৰমণত নিমিষতে তচনচ হৈ পৰে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰস্থিত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ ঘাটি। অপাৰেচন সিন্দুৰ সামৰিয়েই প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিবৃতি- ‘কোনো পাকিস্তানী সামৰিক চৌহদক লক্ষ্য কৰি লোৱা নাই, ভাৰতে লক্ষ্য বাছনি- কাৰ্যকৰীকৰণৰ পদ্ধতিত যথেষ্ট সংযম প্ৰদৰ্শন কৰিছে’। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই পাকিস্তানস্থিত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা, জইছ-ই- মহম্মদ আৰু হিজবুল মুজাহিদীনৰ ঘাটি আৰু প্ৰশিক্ষণ শিবিৰ চিনাক্ত কৰি লৈ মঙলবাৰে নিশা ভাৰতীয় সেনাই সুপৰিকল্পিতভাৱে মিছাইল আক্ৰমণেৰে বিধ্বস্ত কৰে ৯ স্থানৰ ২১টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি। মঙলবাৰে নিশা ১.০৫ বজাৰ পৰা ১.৩০ বজালৈ মাত্ৰ ২৫ মিনিটৰ ভিতৰতে চিৰবৈৰী ৰাষ্ট্ৰখনৰ ভূমিত থকা নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ ঘাটিত বিমান আক্ৰমণ চলায়। ২৪টা মিছাইলেৰে ৯টা স্থানৰ ২১ সন্ত্ৰাসবাদীৰ ঘাটিত বিমানেৰে মিছাইল নিক্ষেপ কৰি ‘অপাৰেচন সিন্দূৰ’ৰ নিৰ্ভুল অভিযান সামৰে ভাৰতীয় সেনাই। ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ পাছত স্থল, জল আৰু বায়ুসেনাই



একেলগে মিলিত হৈ সন্ত্ৰাসবাদীৰ ঘাটিত ২৫ মিনিট আক্ৰমণ চলাই সন্ত্ৰাসবাদীৰ ঘাটিসমূহ বিধ্বস্ত কৰে। ৰাফেল যুদ্ধবিমানৰ লগত স্কেল্প দীৰ্ঘ দূৰত্বৰ ক্ৰুইজ মিছাইল আৰু হামাৰ বোমাৰে সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ চলোৱাৰ সময়ত যুদ্ধবিমান মিৰাজ ২০০০ আৰু ছুখয় ৩০ এম কেই সহযোগ কৰে। (নপৃষ্ঠাত চাওক)

# ‘অপাৰেচন সিন্দূৰ’ৰ সাফল্য গাথা বিশ্ববাসীক জনালে দুই মহিলা সামৰিক বিষয়াই





ৰঙিলী বাৰ্তাসেৱা- পেহেলগামৰ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ (PoK)ৰ সন্ত্ৰাসবাদীৰ ঘাটিত ভাৰতীয় সেনাই কৰা মিছাইল আক্ৰমণৰ বিষয়ে বিশ্ববাসীক অৱগত কৰে দুই মহিলা সামৰিক বিষয়াই। কৰ্ণেল ছোফিয়া কুৰেশ্বি আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে সংবাদ মেলযোগে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ৯টা স্থানত ২১ সন্ত্ৰাসবাদীৰ ঘাটি আৰু প্ৰশিক্ষণ শিবিৰত ভাৰতীয় সেনাৰ বিমান আক্ৰমণ সন্দৰ্ভত বিশ্ববাসীক বিতং ব্যাখ্যা আগবঢ়ায়। পেহেলগামৰ হত্যালীলাৰ প্ৰতিশোধ কল্পেই অভিযান চলোৱা বুলি উল্লেখ কৰে কৰ্ণেল কুৰেশ্বিয়ে। দুই মহিলা সামৰিক বিষয়াই সংবাদ মেল সম্বোধন কৰি অপাৰেচন সিন্দুৰৰ বিষয়ে অৱগত কৰোৱাটো এক প্ৰতীকী হিচাপে ধাৰ্য কৰা হৈছে। পেহেলগামত সন্ত্ৰাসবাদীৰ হাতত স্বামীক হেৰুৱাই বিধৱা হোৱাসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ যুঁজ, ঐক্য আৰু সাম্প্ৰদায়িক সংহতিৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰি অপাৰেচন সিন্দুৰৰ বিষয়ে তথ্য আগবঢ়াবলৈ দুই মহিলা কৰ্ণেল কুৰেছি আৰু উইং কমাণ্ডাৰ সিঙক আগবঢ়াই দিয়ে। সংবাদ মেলত কৰ্ণেল কুৰেশ্বি আৰু উইং কমাণ্ডাৰ সিঙৰ সৈতে বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়েও অংশগ্ৰহণ কৰে। হিন্দু বিবাহিত মহিলাৰ প্ৰতীক (নপৃষ্ঠাত চাওক)

# ‘অপাৰেচন সিন্দূৰ’ৰ সফলতাৰ বিষয়ে ৰাষ্ট্ৰপতিক ব্যাখ্যা কৰিলে প্ৰধানমন্ত্ৰীয়ে



ৰঙিলী বাৰ্তাসেৱা- মঙলবাৰে মাজনিশা তিনি সেনাই যৌথভাৱে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি আৰু শিবিৰত বিমানেৰে চলোৱা সফল অভিযান ‘অপাৰেচন সিন্দুৰ’ৰ বিষয়ে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় সেনাৰ সফলতাৰ বিষয়ে অৱগত কৰে। উল্লেখ্য যে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰৰ প্ৰতিশোধ হিচাপে বুধবাৰে নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা, জইছ-ই-মহম্মদ আৰু হিজবুল মুজাহিদীনৰ ঘাটিত মিছাইলেৰে আক্ৰমণ কৰি বিধ্বস্ত কৰে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীক সবিশেষ অৱগত কৰে। (নপৃষ্ঠাত চাওক)

# পাকিস্তানৰ গোলাবৰ্ষণত নিহত ভাৰতীয় জোৱান



ৰঙিলী বাৰ্তাসেৱা- পাকিস্তানৰ গোলাবৰ্ষণত নিহত ভাৰতীয় জোৱান দীনেশ কুমাৰ শৰ্মা। জম্মু- কাশ্মীৰৰ পুঞ্চ জিলাত নিয়ন্ত্ৰণ ৰেখাৰ কাষত পাকিস্তান সেনাই সীমা অতিক্ৰম কৰি কৰা গোলাবৰ্ষণত নিহত হয় লেন্স নায়ক দীনেশ কুমাৰ শৰ্মা নামৰ এজন ভাৰতীয় জোৱান। গভীৰ নিশা সংঘটিত হোৱা এই গোলাবৰ্ষণ দুয়ো দেশৰ সেনাৰ মাজত চলি থকা শত্ৰুতাৰ অংশ। হাৰিয়ানাৰ মহম্মদপুৰ গাঁৱৰ ৩২ বছৰীয়া জোৱান দীনেশ কুমাৰ শৰ্মাই মৃত্যুৰ সময়ত ৫ ফিল্ড ৰেজিমেণ্টত কৰ্মৰত আছিল। এল অ' চিৰ কাষত ক্ৰমাৎ উত্তেজনা বৃদ্ধি পোৱাৰ মাজতে এই কাণ্ড সংঘটিত হৈছে, দুয়োখন ৰাষ্ট্ৰই ধাৰাবাহিকভাৱে প্ৰতিশোধমূলক গোলাবৰ্ষণ কৰি আছে। ২০১৪ চনত ভাৰতীয় সেনাবাহিনীত যোগদান কৰা দীনেশ কুমাৰ শৰ্মাক অলপতে লেন্স নায়ক পদলৈ উন্নীত কৰা হয়। তেওঁৰ শ্বহীদত ব্যাপক শোক প্ৰকাশ কৰিছে, ভাৰতীয় সেনাই তেওঁৰ বীৰত্ব আৰু নিষ্ঠাক শ্ৰদ্ধাঞ্জলি জনাইছে।

# লোকসেৱা ভৱনত কাম কাজৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা সভা



ৰঙিলী বাৰ্তাসেৱা- লোকসেৱা ভৱনত অনুষ্ঠিত এখন বৈঠকত উত্তৰ গুৱাহাটীৰ ৰংমহলত প্ৰস্তাৱিত ন্যায়িক চৌহদৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আলোচনা কৰে। উক্ত বৈঠকত গুৱাহাটী উচ্চন্যায়ালয়ৰ নতুন ভৱন, কাৰ্যালয় ভৱন, ‘বাৰ কাউঞ্চিল’ ভৱন, অডিট'ৰিয়াম ব্লক, ন্যায়াধীশসকলৰ (নপৃষ্ঠাত চাওক)

# সময় গতিশীল



ৰিজু কাকতি, গুৱাহাটী

ৰাতিপুৱা উঠি ৰুমৰ দুৱাৰ
খিৰিকিবোৰ খুলিবলৈ লওঁতে
দেৱালত আৰি থোৱা ঘড়ী
টোৱে কয়-
ছয় বাজিল, সাত বাজিল,
এনেকৈয়ে গুচি যায় সময় বোৰ ।
আজি সোমবাৰ, কালিলৈ মংগল বাৰ
এনেকৈয়ে গুচি যায় দিন
বোৰ, দিনৰ পিছত দিন
সপ্তাহৰ পিছত সপ্তাহ ।
এনেকৈয়ে গুচি যায় সপ্তাহটো।
জানুৱাৰী, ফেব্ৰুৱাৰী, এনেকৈয়ে
গুচি যায় মাহবোৰ।
মাহৰ মূৰত মাহ আহি পৰে বছৰটো,
এনেকৈয়ে গুচি যায় বছৰ বোৰ।
সময়ে সময়ৰ কাম কৰি যায়
সময়ৰ লগে লগেই আমিবোৰ
আগুৱাই যাওঁ,
সেয়া হ’ল প্ৰকৃতিৰ নিয়ম।
সময়ৰ কামবোৰ সময়ত
নকৰিলে, থাকিব জানোঁ সময়
আমাৰ বাবে বৈ!
ঘড়ীটোৱে সকিয়াই দিব
বাৰে বাৰে মই গৈ আছোঁ
তোমালোকো নাথাকিবা বৈ ।

# অপাৰেচন সেন্দুৰ




মিতালি বৰঠাকুৰ, গুৱাহাটী

প্ৰতি গৰাকী ভাৰতীয় সধবা নাৰীৰ স্বাভিমান
শিৰৰ ৰঙা সেন্দুৰ
য’ত জোন জ্বলা আকাশৰ দৰে
জিলিকি থাকে প্ৰেম, ভালপোৱা আৰু
বিশ্বাসৰ অবিস্মৰণীয় ৰং।
সেন্দুৰৰ ৰঙতে বিন্দুতে সিন্ধুৰ দৰে
প্ৰতিফলিত হয় নাৰীৰ জীৱনৰ
সৌম্য, শান্ত আৰু শক্তিৰ
এমুঠি হেঁপাহৰ আছুতীয়া ৰং।
যাক কোনো অশুভ শক্তিয়ে
নাশ কৰিব নোৱাৰে ।
যাৰ বাবে আজি হাজাৰ ভাৰতীয়ই
নাৰীৰ সেন্দুৰক মৰ্য্যদা দিবলৈ
বীৰদৰ্পে ওলাই আহিছে
শত্ৰুক পৰাভূত কৰিবলৈ।
যাৰ বাবে আজি সীমান্তৰ ৰণ দুন্দুভীত
বাজি উঠিছে অপাৰেচন সেন্দুৰ ।

# তহঁতৰ জীৱনবোৰ এনেকৈ যাব



শৈলেন কুমাৰ, মিৰ্জা

**খণ্ড-১** উপৰোক্ত কথাশাৰী এজন মানুহে কেতিয়া ব্যক্ত কৰে, যেতিয়া এজন ব্যক্তি আন এজন ব্যক্তিৰ কৰ্মকাণ্ডত অতিষ্ঠ হয় নতুবা অতিশয়ৰ যেতিয়া চূড়ান্ত সীমা চেৰাই যায়। এজন ব্যক্তি বৰ্তমান সময়ত সমাজ, ৰাজনীতি, সংসাৰ, সংবাদ, সন্ত্ৰাসবাদ এই চাৰিটা বিষয়ৰ প্ৰভাৱত পৰিচালিত হোৱা দেখা পোৱা গৈছে । শিক্ষক পিতৃৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰা হয়, তেখেতৰ আদৰ্শ জীয়াই ৰখাৰ স্বাৰ্থত কিন্তু সমাজৰ আগত নিজস্ব নীতি আদৰ্শৰ শ্ৰাদ্ধ পাতি সমাজ য’ত যিমান কুকৰ্ম আছে সকলোতে ন্যস্ত হৈ দুই নম্বৰী টকা ঘটি বিশাল অট্টালিকাৰ মালিক হৈ সেই অট্টালিকাত ঘৈণীয়েকক ৰাজৰাণী পাতি জন্মদাত্ৰী মাতৃক ৰখা যায় মুধাফুটা গাহৰিৰ গড়ালত তেতিয়া যদি নিজক প্ৰশ্ন নকৰি আনক প্ৰশ্ন কৰা যায় আপুনি কেনেকৈ দুৰ্নীতি কৰি টকাৰ পাহাৰ গঢ়িলে ? তেতিয়া তহঁতে সমাজক দেখুওৱা ভুৱা আদৰ্শবাদ ৰসাতলে যায়। ৰাজনীতি মানে ৰজাৰ নীতি। আপুনি নিৰ্বাচনত প্ৰতিদন্দীতা কৰিছে কিন্তু আপুনি নেজানে আপুনি কি বিচাৰি ৰাজনীতিত নামিছে আৰু যিয়ে আপোনাক ভোট দি জয়ী কৰিব সিহঁতবোৰেও নেজানে আমাক কি লাগে ? কথাটো হ’ল ৰজাই নেজানে মই কিয় ৰজা আৰু প্ৰজাই নেজানে আমি কিহৰ বাবে প্ৰজা? সেয়া হৈছে বৰ্তমান ৰাজনৈতিক প্ৰক্ষাপটত বৃহৎ ডাঙৰ প্ৰশ্ন ? সংসাৰ হৈছে দেহমনৰ কামনাৰ প্ৰতিফল। দেহত উত্তেজনা বৃদ্ধি হ’ল আৰু পুৰুষ আৰু নাৰীৰ সংগমত সংসাৰৰ সৃষ্টি হ’ল কিন্তু পুৰুষে নেজানে নাৰীৰ কথা আৰু নাৰীয়ে নেজানে পুৰুষৰ কথা অৱশেষত বিচ্ছেদ। সংবাদ জনতা আৰু জনাৰ্দ্দনৰ মাধ্যম। ৰাইজৰ অভাৱ অভিযোগ ৰজাৰ কানত প্ৰক্ষেপিত কৰা সংবাদ বাহক। কিন্তু সংবাদৰ গতি সলনি হ’ল, সংবাদ বাহক সকল ৰজাৰ গুলাম হ’ল। সংবাদবোৰ এতিয়া একপক্ষীয় হ’ল। টকা নিদিলে ৰাইজৰ বিননি শুনিবলৈ সংবাদবাহকৰ কান বন্ধ হ’ল। সংবাদবাহক সকল বৰ্তমান আমোদপ্ৰমোদ, মনোৰঞ্জনৰহে বাহক হ’ল। নিজৰ মাজতে খামখেয়ালী, হিংসা, ঈৰ্ষাত মছগুল ভিউৱাৰচ আৰু ফোলোৱাৰছৰ পিছত দৌৰা হ’ল। সেইবাবে প্ৰত্যক্ষদৰ্শী গুণীজ্ঞানী জনে কবলৈ বাধ্য হ’ল তহঁতৰ জীৱনবোৰ এনেকৈয়ে গ’ল। সন্ত্ৰাসবাদ বৰ্তমান সকলোৰে মুখত চৰ্চিত এটা বাক্য। শিক্ষাৰ অভাৱ, দৰিদ্ৰতা আৰু ধৰ্মান্ধ আদিৰ সৃষ্টি হৈছে সন্ত্ৰাসবাদা। কাশ্মীৰৰ পেহেলগামত হোৱা নিৰীহ পৰ্যটকৰ ওপৰত হোৱা বৰ্বৰতাৰ লগতে নৰসংহাৰ মানৱসমাজৰ বাবে ভাবুকি স্বৰূপ। কিজানি বা আপোনাৰ মাজতো এজন সন্ত্ৰাসবাদী লুকুৱাই আছে। আপোনাৰ ভিতৰত লুকুৱাই থকা সন্ত্ৰাসবাদী জন বন্দুকধাৰী নহয় বৰঞ্চ সামাজিক, মানসিক আৰু আবেগিক দৃষ্টিকোণৰ দ্বাৰা পৰিচালিত। গলত মতা সোণৰ চেইন, বিলাসী গাড়ী, হাতত Rolex ৰ দামী ঘড়ী, বিশাল অট্টালিকা পেছাত তেখেত মাটিৰ দালাল কিন্তু বিহুৰ মঞ্চ দাতা হৈ বিশিষ্ট সমাজ কৰ্মী, লগত লৈ ঘূৰাইছে- ফুৰাইছে আনৰ ঘৈণী।

আগলৈ....

**সম্পাদকীয় শিতান..**

# অপাৰেচন সিন্দূৰ

অনামিকা (সংগীতা)কলিতা,
শুৱালকুছি




ভাৰতবৰ্ষ ২০০বছৰ বৃটিছ ৰাজতন্ত্ৰৰ অধীনত আছিল। ১৯৪৭চনত এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বাধীনতা লাভ কৰে যদিও ভাৰতবৰ্ষ দ্বিখণ্ডিত হয় পাকিস্তান নামেৰে মুছলিম আন এখন দেশৰ জন্ম হয়। বৃটিছ সকলে ভাৰতবৰ্ষ এৰিলে কিন্তু তেওঁলোকৰ অভিপ্ৰায় পূৰ্ণ হ’ল “ডিভাইদ এণ্ড ৰুল পলিচি” সফল হয়। যাৰ ফলত ভাৰত আৰু পাকিস্তান দুয়োখন চুবুৰীয়া দেশ বন্ধুত্বৰ সলনি চিৰ বৈৰী হিচাপে ইতিহাসত নিজৰ নাম অংকিত কৰিলে বৰ্তমানেও একে অৱস্থাত আছে।

ভাৰতবৰ্ষ আৰু পাকিস্তানে স্বাধীনতা লাভ কৰাৰ পিছত ১৯৪৮ চনত দুয়োখন দেশৰ মাজত প্ৰথম যুদ্ধ হয়। পাকিস্তানৰ সৈনিক আৰু কাশ্মীৰৰ কিছু নাগৰিক পাকিস্তানৰ সমৰ্থকৰ সহায়ত কাশ্মীৰত প্ৰবেশ কৰি অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা কৰে।

১৯৬৫চনতো ভাৰত আৰু পাকিস্তানৰ মাজত দ্বিতীয় খন যুদ্ধ হৈছিল নাম অপাৰেচন জিব্ৰাল্টৰ। পাকিস্তানৰ একমাত্ৰ লক্ষ্য কাশ্মীৰ দখল কৰা। শেষত ১৯৬৬ চনত দুয়োখন দেশৰ মাজত বুজাবুজিৰ অন্ততঃ যুদ্ধ সমাপ্ত হয়। এই যুদ্ধ ১৭দিন চলিছিল বহুতো লোকে প্ৰাণ হেৰুৱাইছিল।

১৯৭১চনত ভাৰত আৰু পাকিস্তানৰ মাজত তৃতীয়খন যুদ্ধ আৰম্ভ হয়। সেই সময়ত ইন্দিৰা গান্ধী ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল।

১৯৯৯চনত ভাৰত আৰু পাকিস্তানৰ মাজত চতুৰ্থখন যুদ্ধ হয়। কাৰগিল যুদ্ধ নামেৰে পৰিচিত কাৰগিল নামৰ এখন ঠাইত হৈছিল। প্ৰতিবাৰতে পাকিস্তানৰ সৈনিক বা সন্ত্ৰাসবাদীয়ে আমাৰ ভাৰতত প্ৰবেশ কৰি সেই অঞ্চল নিজৰ অধীনত আনিবলৈ চেষ্টা কৰে।

২০১৯চনত পুলবামত পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে বোমা বিস্ফোৰণ কৰে ভাৰতীয় সৈনিক প্ৰায় ৪০ জনৰ মৃত্যু হয়। ভাৰতীয় সেনাই ইয়াৰ প্ৰত্যুত্তৰ দিয়ে। ইয়াৰ পিছত কেতিয়াবা সৰু সুৰা ঘটনা হৈছে যদিও কোনো চিন্তাৰ বিষয় নাছিল। কাশ্মীৰত বিদেশৰ বা ভাৰতৰ বিভিন্ন ঠাইৰ পৰ্য্যটক সকলে একো বাধা নথকাকৈ পৰিভ্ৰমণ কৰি আহিছে। কিন্তু ২০২৫চনৰ এপ্ৰিল মাহৰ ২২তাৰিখে কশ্মীৰৰ পেহেলগামত পৰ্য্যটক সকলক সন্ত্ৰাসবাদীয়ে গুলীবৰ্ষন কৰি ২৬গৰাকীলোকক নিহত কৰে। লস্কৰ ই তৈবাৰ নামৰ সংগঠনৰ সন্ত্ৰাসবাদীৰ এই আক্ৰমণৰ ফলত সাধাৰণ ভ্ৰমণ কৰিবলৈ অহা

*(বাৰপৃষ্ঠাত চাওক)*

# নাৰীৰ মৰ্ম বেদনা



"মা' তোমাৰ কাম কৰি শেষ হৈছেনে? কিমান ৰাতি হ'ল শুৱলে আহিবলৈ হোৱাই নাই ঘৰখনৰ বাকীবোৰ মানুহ শুৱলৈ গ'ল। তোমাৰ হে ৰাতি এদো খৰলৈকে কামৰ আহৰি নাই। ক'তো কেনিও ফুৰিবলৈ যাবলৈকো সময় নাই। গৃহ বন্দী হৈ ঘৰৰ কামকে মোৰ বুলি থাকা। এইয়া ঘৰ খনৰ মানুহ বোৰৰ এক প্ৰকাৰৰ শোষন বুলিয়েই মই ভাবো। ঘৰখনৰ কামবোৰ তুমিয়েই যে অকলে সকলো চম্ভালি থাকা ।খুৰি, বৰ'মা হতেও টো কৰিব পাৰে।"

"হ'ব দে মাজনী কাম কৰি আছো বাবেই শৰীৰটো ঠিকেই চলি আছে বুজিছ। বৰ' মা আৰু খুৰীয়েৰাই চাকৰি কৰাৰ বাবে দিনটো বৰ কষ্ট হয়। সেয়েহে মইয়ে তেওঁলোকক কাম-বন কৰিবলৈ নিদিওঁ। হ'ব মাজনী এনেকৈয়ে ঘৰ খন সুখ-শান্তিৰ মাজেৰে চলি থকাটোহে মই বিচাৰো। যিমান দিনলৈকে আজুৰি ফুৰিব পাৰো সিমান দিনলৈকে আজুৰি থাকিম দুহাতেৰে"।

**অনিমা মাধৱ বৰঠাকুৰ**

"মা' তোমাৰোটো পঢ়া-শুনা আছিল তুমিও বিয়াৰ আগতে চাকৰি কৰিছিলা বুলি গম পাইছিলোঁ। কিন্তু বিয়াৰ পাছত চাকৰিটো কিয় এৰি দিলা। দেউতাৰ মৃত্যুৰ পাছৰ পৰা আমি তিনিটা প্ৰাণী কিমান অভাৱৰ মাজত চলি আছো তাক জানো ঘৰ খনৰ মানুহে খৱৰ ৰাখে। তুমি যে তেওঁলোকৰ কথা ইমান চিন্তা কৰি থাকা"।

"তহঁতৰ দেউতাৰ মৃত্যুৰ সময়ত তহঁত দুটা বহুত সৰু আছিলি ।মই তহঁতক লৈ অকলে থকাটো অসম্ভৱ কাৰণ দিন-কালৰ গতি বৰ বেয়া। সেইবোৰ বহুত কথা। তোৰ পিতৃয়ে মই চাকৰি কৰাতো ভাল নাপাইছিল। দেউতাৰৰ মতে বোৱাৰী মানুহে ঘৰ সংসাৰ মাজতে আৱদ্ধ থাকিব লাগে। আমি নাৰী যেতিয়া আমাৰ মৰ্ম বেদনা কোনেনো বুজিব। বিয়াৰ পাছত কিছুমান নাৰীয়ে নিজস্বতা বিৰ্সজন দি আনৰ সুখ-শান্তিৰ কথাহে ভাবিব লগীয়া হয়। মোৰ ক্ষেত্ৰতো সেয়ে হ'ল"।

"মই কিন্তু তোমাৰ ইমান কষ্ট চাই থাকিব নোৱাৰো। মই তোমাক কামত সহায় কৰি দিব বিচাৰিলেও তুমি নিদিয়া কিয়? তুমি যেতিয়া বিচনাত পৰি উজাগৰী নিশা উচুপি থাকা আৰু মই তোমাৰ কাষত উপায় বিহীন হৈ শুই থাকো। মোৰ ভাল চাকৰি এটা হ'লে তোমাক আৰু ভাইটিক লৈ ইয়াৰ পৰা আতৰি যাম। তুমি কিন্তু নাযাও বুলি নকবা"।

"মাজনী তই তেনেকৈ নাভাবিবি দেউতাৰ ঢুকুৱাৰ পাছৰ পৰাই তহঁতৰ অভিভাৱক তেওঁলোক। আমি সকলো মিলি-জুলি আছো বাবেই পৰৰ মানুহে আসৈ পোৱা নাই। মই কাম কৰাক লৈ তই ইমান চিন্তিত ন'হবি। মোৰ বহুতো মৰ্মবেদনা আছে তথাপিও সকলোৰে লগত মিলি-জুলি চলি আছো, তহঁত দুটাক ডাঙৰ কৰাৰ স্বাৰ্থত"।

# ভোটাধিকাৰ




**ৰুক্মিণী দাস, শ্ৰীহাটী**

ৰাতি পুৱা পাঁচ বজাতে উঠিলোঁ
যাবতীয় কাম খিনি কৰি
চাকি বন্তি জ্বলালো
শ্ৰীহাটী শ্যামৰাই বিদ্যালয়ত অনুস্থিত কৰা
ভোট কেন্দ্ৰ লৈ গ'লো ।
শাৰী পাতিলো
প্ৰথমতে মইয়ে থিয় হ'লো
সময় মতে মইয়ে
ভোটদান সাব্যস্ত কৰিলো
ভোটদান সাব্যস্ত কৰিলো
নিজকে নিজে ধৈন্য
মানিলো
শাৰী পাতি থকা
পুৰুষ মহিলা
উৎসাহিত হোৱা দেখিলো ।
নিৰ্বাচন নিৰ্বাচন
চৌদিশে বতাহ বলিছে
কিন্তু এটা কথা কৈ থওঁ সকলোকে
জিকা এজনেও পিছে
নাচায় আমাৰ ফালে ।
কেৱল মাথো আহে
ঘৰে ঘৰে
ভোটদান কৰি জয়যুক্ত কৰিব মোক
সকলোৱে ।

# ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস



বিজ্ঞান প্ৰযুক্তি মানে কোনো এটা বিষয়ৰ ওপৰত পৰ্যবেক্ষণ, পৰীক্ষা - নিৰীক্ষা আৰু বিশ্লেষণ কৰি যি জ্ঞান লাভ কৰা যায় সেই জ্ঞান ব্যৱহাৰ কৰি নতুন কৌশল বা পদ্ধতি সৃষ্টি কৰা। সহজভাৱে ক'ব পাৰি যে বিজ্ঞানৰ জৰিয়তে আমি নিয়মবোৰ অৰ্থাৎ কি, কিয় আৰু কেনেকৈ আদি কথাবোৰ জানিব পাৰোঁ আৰু প্ৰযুক্তিৰ জড়িয়তে সেই নিয়মবোৰ ব্যৱহাৰ কৰি নতুন আৰ্হি প্ৰস্তুত কৰা।

ভাৰতত প্ৰতি বছৰে ১১ মে' তাৰিখে ১৯৯৯ চনৰপৰা ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস পালন কৰি আহিছে। এই দিৱস পালন কৰাৰ উদ্দেশ্য হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনৰ লগত জড়িত অৰ্থাৎ প্ৰযুক্তিৰ বিকাশ আৰু উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বিজ্ঞানী, গৱেষক, অভিযন্তা আৰু প্ৰযুক্তিবিদ সকলৰ অৱদান, কৃতিত্বক স্বীকৃতি দিয়া আৰু সন্মান জনোৱা। ১১ মে' দিনটো লোৱাৰ কাৰণ হৈছে ১৯৯৮ চনৰ ১১ মে'ৰ দিনা ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত তিনিটা উল্লেখযোগ্য ঘটনাই সফলতা লাভ কৰিছিল।

**বন্দিতা শৰ্মা কন্দলি**

প্ৰথমটো হৈছে ৰাজস্থানৰ পোখৰানত নিউক্লিয়াৰ মিছাইল 'শক্তি'ৰ সফল পৰীক্ষা সম্পন্ন হয়।

দ্বিতীয়টো হ'ল 'প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা'ৰ উদ্যোগত মিছাইল 'ত্ৰিশূল'ৰ শেষ বাৰৰ বাবে সফল উৰণ সম্পন্ন হয়। 'ত্ৰিশূল' হ'ল মাটিৰ পৰা আকাশলৈ প্ৰক্ষেপ কৰিব পৰা চমু দূৰত্বৰ ক্ষেপণাস্ত্ৰ। ত্ৰিশূলে আকাশত ৯ কিঃমিঃ দূৰত্বৰ ভিতৰত শত্ৰু পক্ষৰ ক্ষেপণাস্ত্ৰ বা পাৰমাণৱিক বোমা ধ্বংস কৰিব পাৰে। এই ক্ষেপণাস্ত্ৰই প্ৰয়োজন অনুসৰি নিজৰ দিশ সলনি কৰিব পাৰে। এনে ক্ষেপণাস্ত্ৰক 'গাইডেড মিছাইল' বুলি কোৱা হয়।

তৃতীয়টো হৈছে ভাৰতৰ নিজা প্ৰচেষ্টাৰে নিৰ্মাণ কৰা 'হংস-৩'ৰ সফল উৰণ পৰীক্ষা। হংস -৩ য়ে প্ৰশিক্ষণ, ক্ৰীয়া আৰু আমোদৰ ভ্ৰমণৰ বাবে উপযোগী বিমান। এই বিমান দিন ৰাতি সকলো সময়তে উৰাব পৰা ব্যৱস্থা আছে। ইয়াক পৰ্যবেক্ষণ, আকাশী আলোকচিত্ৰ, উপকূলীয় অঞ্চলৰ পৰ্যবেক্ষণ আৰু পৰিবেশ অধ্যয়নৰ বাবেও ব্যৱহাৰ কৰা হয়।

ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱসৰ ২০২৫ বৰ্ষৰ বিষয়বস্তু হৈছে বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতীয় যুব শক্তিক উদ্বুদ্ধ কৰা। ভাৰতত প্ৰতি বছৰে ১১ মে' তাৰিখে বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰি আহিছে।

# মাতৃ



**কবিতা শৰ্মা,গুৰগাঁৱ, হৰিয়ানা**

আস্ ... মৰিলো ... মা... অ' মা... উস্... মা ... প্ৰসব কক্ষৰ পৰা ভাহি আহিছিল প্ৰথম বাৰৰ বাবে মাক হবলৈ ওলোৱা মানুহজনীৰ যন্ত্ৰণা কাতৰ চিঞৰ ...

প্ৰসব কক্ষৰ পৰা ভাহি অহা কেচুৱাৰ কান্দোনত বাহিৰৰ উদ্বিগ্ন মুখবোৰত হাঁহি বিৰিঙিল। নাৰ্চ গৰাকীয়ে হাঁহিমুখেৰে জনালে যে, ধুনীয়া ছোৱালী এজনীৰ মাক হ'ল তাই।

তাইৰ ক্লান্ত চকু হালে হাঁহি ভৰা মুখবোৰৰ মাজত বিচাৰি ফুৰিলে মমতা ভৰা এখন মুখ। মগজুত খুন্দিয়াই থাকিল পুৰণা কথাবোৰ ..

"মা, কি বনাইছা এইবোৰ ইমান টেষ্টলেচ .."

"মা, মোৰ ফ্ৰেণ্ডচ বোৰৰ আগত ভুলকৈ ইংৰাজী শব্দবোৰ নকবাচোন..."

মা, যোৱাচোন। অলপমান স্পেচ দিবলৈ শিকা ...

আস্ ... সদ্যোজাত কন্যা সন্তানটিলৈ চাই তাই ভাবিলে কেৱল মাকেই নহয়, প্ৰথমবাৰৰ বাবে সচা অৰ্থত আজি তাই এজনী জীয়েকো হৈ পৰিল।

# যুৱতী, মহিলাৰ সৰবৰাহৰ ঘটনা ৰাজ্যত ভয়ানক গতিত বৃদ্ধি পাইছে..

## (অভাৱ আৰু সজাগতাৰ অভাৱৰ সুযোগ লয়)প্ৰৱঞ্চকে

মানসী মিশ্ৰ

একবিংশ শতিকাত উপলব্ধ আমি সকলোৱে মহিলা সৱলীকৰণৰ বাবে, মহিলাৰ বিকাশৰ বাবে চিন্তা কৰাটো নিঃসন্দেহে সমাজৰ এক শুভ লক্ষণ হিচাপে আঙুলিয়াব পাৰি। বিকাশেই প্ৰগতিৰ মূল চাবিকাঠী বুলি ধৰা হয়। সেয়েহে বিকাশ আৰু উন্নয়নৰ ধাৰাটো ঊৰ্ধমুখী কৰাৰ বাবে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়তো বিভিন্ন আঁচনি যোজনা আদি প্ৰৱৰ্ত্তন কৰি মহিলা-সকলৰ প্ৰগতিৰ ধাৰাটোক দেশৰ মূল প্ৰগতিৰ ধাৰাটোৰ লগত একাত্ম কৰিবলৈ বিচৰা হৈছে। কিন্তু এনে সময়তে আমাৰ ৰাজ্যৰ চুকেকোণে এচাম যুৱতী, মহিলাই মানসিক চাপত বিধবস্ত হৈ, বিভিন্ন সামাজিক সমস্যাৰ মুখামুখি হৈ সময় পাৰ কৰিবলগীয়া হৈছে। মহিলাৰ ওপৰত হোৱা বিভিন্ন উৎপীড়ণ যেনেঃ বলাৎকাৰ, যৌন উৎপীড়ণ, এচিড ঢালি দিয়াৰ ঘটনা আদি সমাজত ভয়াবহভাৱে বৃদ্ধি পাইছে। ইয়াৰ লগতে কেইটামান বছৰ ধৰি আমাৰ সমাজত ভয়াবহ ৰূপত বৃদ্ধি পাইছে মহিলা, যুৱতীৰ লগতে কিশোৰী কন্যা সকলৰ সৰবৰাহৰ কাহিনী। বিশেষকৈ ২০২৪ বৰ্ষৰ প্ৰথম দুটা মাহতে অতি ভয়াবহ হাৰত বৃদ্ধি পাইছে মহিলা, যুৱতীৰ সৰবৰাহৰ ঘটনা। উল্লেখ কৰিব লাগিব যে সৰস্বতী পূজাৰ দিনটোত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা ৯ গৰাকী কিশোৰী, যুৱতীক অপহৰণ কৰিছিল। মধ্যভোগী দালালৰ জৰিয়তে বিভিন্ন কুচক্ৰত এই যুৱতী, কিশোৰী সকলক বিক্ৰী কৰাৰ উদ্দেশ্যেৰে অপহৰণ কৰা হৈছিল। অতি উল্লেখনীয় যে শাৰীৰিক ভাৱে প্ৰত্যাহ্বান যুক্ত ব্যক্তি যিয়ে ৰে’লত গীত গাই ফুৰে তেনে ব্যক্তিক মূল নায়ক হিচাপে এক অপহৰণৰ নাটকত জড়িত কৰোৱা হৈছিল। এই ঘটনাই সমগ্ৰ ৰাজ্যতে তোলপাৰ লগোৱা সময়তে ৰাজ্যৰ ভিন্ন ঠাইত অপহৰণৰ ঘটনা সংঘটিত হৈছিল আনকি খোদ মহানগৰীৰ মাজ মজিয়াৰ পৰাই বিবাহিত মহিলাক অচিনাকি ব্যক্তিয়ে জোৰ কৰি টানি অপহৰণৰ বাবে চেষ্টা চলাইছিল।

এটা দিশ আমি উল্লেখ কৰিবই লাগিব যে মহিলা যুৱতীক অপহৰণ কৰিয়েই হওঁক অথবা বিভিন্ন চলাহী কথাৰে ফুচুলাই হওঁক অনৈতিক সৰবৰাহৰ দৰে কুকাৰ্য্যত লগোৱা ঘটনাসমূহ আমাৰ সমাজত মুঠেই নতুন নহয়। প্ৰায় দুটাদশকৰ আগতেই আমাৰ ৰাজ্যত এই অনৈতিক সৰবৰাহৰ ঘটনাই গা কৰি উঠিছিল। এই সৰবৰাহৰ সমগ্ৰ বিষয়টোৰ লগত মধ্যভোগী দালাল কিছুমান জড়িত হৈ থাকে। যিসমূহ ৰাজ্যত শিক্ষাৰ হাৰ কম লগতে জনসাধাৰণৰ মাজত সামাজিক সচেনতাও যথেষ্ট পৰিমাণে কম, যিসমূহ ৰাজ্যত চাহবাগিছা, চৰ এলেকা আদিৰ সংখ্যা বেছি, সেই এলেকাসমূহত এনে মানৱ সৰবৰাহৰ দৰে অনৈতিক কাৰ্য্য কৰিবলৈ সুবিধা হয়। যেতিয়া ধন অথবা অৰ্থৰ বিনিময়ত মধ্যভোগী দালালৰ সৈতে লগলাগি মানুহক বিক্ৰী কৰি দি অৰ্থ উপাৰ্জন কৰে, তাকেই অনৈতিক সৰবৰাহ বুলি কোৱা হয়। এইসৰবৰাহ কাৰ্য্যত শিশু, কিশোৰী, মহিলী, যুৱতী সকলোকে জড়িত কৰোৱাব পাৰে। এই কামটো চলাই নিবলৈ মধ্যভোগী দালালৰ জৰিয়তে সেই ভিতৰুৱা, পিছপৰা অঞ্চল, গাওঁসমূহত বসবাস কৰে আৰু তেনেকৈ আৰ্থিক ভাৱে একেবাৰে দুৰ্বল, শিক্ষা সজাগতা নোহোৱা লোকসকলৰ ঘৰত প্ৰৱেশ কৰে আৰু চলাহী কথাৰে অভিভাৱকসকলক প্ৰলোভিত কৰে যে তেওঁলোকৰ জীয়ৰী, কন্যা অথবা পত্নীক তেওঁলোকে উচ্চ দৰমহাত বাহিৰলৈ নি চাকৰি দিম বুলি প্ৰলোভন দিয়ে। যদি কিশোৰী, যুৱতীসকল সৌন্দৰ্য্যশালী হয় তেনে ক্ষেত্ৰত তেওঁলোকক চিনেমা, চিৰিয়েল আদিত অভিনয় কৰিবলৈ দিব অথবা ডাঙৰ ডাঙৰ বিউটি পাৰ্লাৰত উচ্চ দৰমহাত কামত সুমুৱাই দিব বুলি প্ৰলোভিত কৰে। সহজ-সৰল হোজা প্ৰকৃতিৰ অভিভাৱকে এই চক্ৰান্ত আৰু চলাহী কথা বুজিব নোৱাৰি তেওঁলোকে কোৱা কথাখিনিতে পতিয়ন যায়। আনকি বহুতো পিতৃ-মাতৃক ফুচুলাই তেওঁলোকৰ কন্যাসন্তানক বাহিৰত উপযুক্ত পাত্ৰত বিয়া দিম বুলি উলিয়াই নি বাহিৰত দালালৰ হতুৱাই বেয়া চক্ৰত বিক্ৰী কৰি দিয়ে। চাকৰি, অভিনয়, বিয়াৰ প্ৰলোভন দি উলিয়াই নিয়া বেছি সংখ্যক কিশোৰী, যুৱতী, মহিলাই পতিতালয়ত কাম কৰিবলগীয়া হৈছে। কিছুসংখ্যক বিনা পাৰিশ্ৰমিকে আনৰ ঘৰত বনকৰা মানুহ, অথবা সস্তীয়া বিউটি পাৰ্লাৰ কিছুমানত কামত লগোৱা হৈছে। ইয়াৰ লগে লগে তেওঁলোকক জোৰ জুলুম কৰি কিছুমান অনৈতিক কামত নিয়োগ কৰা হৈছে।

আমি নিজেও এনে কিছুমান ভুক্তভোগী লগপাইছোঁ যিসকলে নিজ মুখেৰে সেই অন্ধকাৰময় দিনবোৰৰ কথা বৰ্ণনা কৰিছিল। ইউনিচেফ অসম চেপ্তাৰৰ সহযোগিতাত আৰু কেন্দ্ৰীয় চৰকাৰৰ মহিলা সমাখ্যা আঁচনি খনৰ উদ্যোগত অসমৰ কেইবাখনো জিলাত অনৈতিক সৰবৰাহৰ পিছত আৰক্ষী আৰু ৰাইজৰ সহযোগিতাত উদ্ধাৰ কৰি অনা যুৱতী, মহিলাসকলক লৈ এখন আলোচনা সভাৰ কেন্দ্ৰীয় ভাৱে আয়োজন কৰা হৈছিল। ইয়াত তেওঁলোকে খুব দুখেৰে বৰ্ণণা কৰিছিল যে কেনেকুৱা কদৰ্য্যময় পৰিৱেশত তেওঁলোকক ৰখা হৈছিল। বহুতক বিনা পাৰিশ্ৰমিকত কামত নিয়োগ কৰা হৈছিল। কিছুমানক অভক্ষ জন্তুৰ মাংস কটা কামত নিয়োগ কৰা হৈছিল যিসমূহ পেকেজিঙ কৰি বিদেশৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰা হৈছিল। বহু কম বয়সীয়া যুৱতীক আকৌ বিউটি পাৰ্লাৰত কাম কৰাৰ বিনিময়ত একেবাৰে নূন্যতম পাৰিশ্ৰমিক দি দেহ ব্যৱসায়ৰ দৰে অনৈতিক কামতো জড়িত কৰোৱা হৈছিল। তেওঁলোকৰ জীৱন সোমাই পৰিছিল এক অন্ধকাৰৰ মাজত। সেয়েহে দিল্লী আৰক্ষী আৰু অসম আৰক্ষীৰ যৌথ সহযোগিতাত তেওঁলোক এনেদৰে নিজৰ ৰাজ্যলৈ ঘূৰি আহিব পৰাত তেওঁলোকৰ জীৱনে এক নতুন অৰ্থ লাভ কৰিছিল। এই প্ৰকল্পৰ অধীনত বেছিকৈ সৰবৰাহ হোৱা স্থান, পকেট সমূহ বিচাৰি উলিওৱা হৈছে। সেই অঞ্চলসমূহত একোখন অনৈতিক সৰবৰাহ বিৰোধী সমিতি গঠন কৰা হৈছিল। আৰক্ষী বিভাগৰ কৰ্মকৰ্তা, গাওঁপ্ৰধান, শিক্ষক, যুৱসংঘৰ সদস্য, অংগনবাড়ী কৰ্মী আদি এই কমিটিৰ সদস্য আছিল। এই কমিটিৰ জৰিয়তে সেই অঞ্চল সমূহত মানৱ সৰবৰাহৰ ওপৰত সজাগতা প্ৰদান কৰা হৈছিল আৰু কোনো সন্দেহজনক ব্যক্তিৰ জৰিয়তে সেই অঞ্চলসমূহত সৰবৰাহৰ ঘটনা ঘটি আছে নেকি সেই বিষয়ে তদাৰক কৰা হৈছিল।



বিগত চাৰি পাঁচ বছৰৰ পৰা এই সমস্যাই আকৌ ভয়াবহ ৰূপত গা কৰি উঠিছে। ৰাজ্যৰ বিশেষ কেইখন মান জিলা বিশেষকৈ অসমৰ শোণিতপুৰ, ধেমাজি, ওদালগুৰি, কোকৰাঝাৰ, লখিমপুৰ আদিৰ পৰাই বহু কিশোৰী, যুৱতী, মহিলাকো মধ্যভোগী দালাল চক্ৰৰ জৰিয়তে উলিয়াই লৈ যোৱা হৈছে। আমাৰ অভিজ্ঞতাসমূহৰ পৰা দেখা পোৱা গৈছে যে অসমৰ শোণিতপুৰ, ধেমাজি, ওদালগুৰি, কোকৰাঝাৰ, লখিমপুৰ আদি জিলাসমূহত প্ৰতি বছৰে বহু সংখ্যক ছোৱালী মধ্যভোগী দালাল চক্ৰৰ জৰিয়তে বিভিন্ন ভাল ভাল কামৰ মিছা প্ৰলোভন দি অন্যান্য ৰাজ্যলৈ সৰবৰাহ কৰা হয়। উদাহৰণস্বৰূপে এটা ঘটনা খুব ওচৰৰ পৰা দেখিছিলোঁ যে ধেমাজি জিলাত কেইবছৰমান আগতে ১৮-১৯ গৰামী মান যুৱতীক ধেমাজি জিলাৰ বিভিন্ন গাওঁ এলেকাৰ পৰা দিল্লীত উচ্চ প্ৰযুক্তি সম্পন্ন, অত্যাধুনিক বিউটি পাৰ্লাৰৰ কামত নিয়োজিত কৰাৰ প্ৰলোভন দি উলিয়াই লৈ যাবলৈ যো-জা কৰিছিল। কিন্তু সৌভাগ্যক্ৰমে ধেমাজি জিলাৰ আৰক্ষী বিভাগ আৰু মহিলা সমাখ্যা আঁচনিৰ ৰূপায়ণ গোট কাৰ্য্যালয়ৰ কৰ্মকৰ্তাসকলৰ বিশেষ তৎপৰতাত এই যুৱতীসকল সমুখৰ ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰে।

আমাৰ জ্ঞাতে-অজ্ঞাতে এনেদৰে কিশোৰী, যুৱতীসকলৰ বিভিন্ন ৰাজ্যলৈ সৰবৰাহ হয়। ইতিমধ্যে মানৱ অধিকাৰ আয়োগৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে ভাৰতবৰ্ষৰ গোৱা, কেৰালা, জম্মু-কাশ্মীৰ আদি ঠাই যৌন পৰ্য্যটনস্থলী হিচাপে গঢ় লৈ উঠিছে। এই কিশোৰী, যুৱতীসকলৰ, যিসকলে বিভিন্ন ৰাজ্যত সৰবৰাহৰ জৰিয়তে এনে কাৰ্য্যত জড়িত হৈ পৰিছিল সেই সকলক আৰক্ষী, বিভিন্ন সমাজসেৱী সংগঠন আদিৰ সহায়ত উদ্ধাৰ কৰি আনিবলৈ সক্ষম হৈছে। কিন্তু এইখিনিতে দেখা দিয়া সমস্যাটোৱে হৈছে তেওঁলোকে গাওঁ আহি পোৱাৰ লগে লগে তেওঁলোকৰ সামাজিক স্থান হেৰুৱায়। সমাজত বহুতে বেয়া ঠাইৰ পৰা অহা বুলি বেয়া মন্তব্য দিবলৈ লয়। তেওঁলোক পৰিয়াললৈ উভতি অহাৰ পিছত নিজৰ পিতৃ-মাতৃ, অভিভাৱকে যেন এক প্ৰকাৰ বিমোৰত পৰে। সেইকাৰণে যি সকল যুৱতী, মহিলাক ৰাজ্যলৈ উদ্ধাৰ কৰি আনিব পৰা গৈছে তেওঁলোকৰ সংস্থাপনৰ কথা চিন্তা কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় কথা। এইসকলৰ আশ্ৰয়ৰ বাবে Stay Home ৰ ব্যৱস্থা কৰিব লাগে। লগতে এই সকল যুৱতী, কিশোৰীৰ বাবে বিভিন্ন বৃত্তিমূলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে যাৰ যোগেদি এওঁলোকে বিভিন্ন ঠাইত সংস্থাপিত নিজৰ বাবে দুমুঠি ভাতৰ বাবে যোগাৰ উলিয়াব পাৰে। চাহবাগান এলেকা আৰু বিভিন্ন সীমামূৰীয়া অঞ্চলসমূহত চৰকাৰৰ ফালৰ পৰা বিভিন্ন সজাগতা মূলক কাৰ্য্যসূচী হাতত ল’ব লাগে। সমাজসেৱী সংগঠন, চৰকাৰ, প্ৰশাসনে এই সৰবৰাহৰ বিষয়টোক গুৰুত্ব সহকাৰে লৈ এই সমস্যা সমাধাৱৰ ক্ষেত্ৰত সষ্টম আৰু সতৰ্ক হ’ব লাগে।

# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ কণিষ্ঠ মহাবিদ্যালয়ত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জন্মতিথি পালন



ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বকবি, নাট্যকাৰ, দাৰ্শনিক, সংগীত নিৰ্মাতা, চিত্ৰকৰ, গল্পকাৰ তথা দেশপ্ৰেমিক তথা ভাৰতৰ প্ৰথমগৰাকী ন'বেল বঁটা প্ৰাপক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জন্ম দিবস ডিব্ৰুগড়ৰ অন্যতম উচ্চশিক্ষানুস্থান শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ চিনিয়ৰ চেকেণ্ডেৰী স্কুলত পালন কৰে। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, পৰিচালনা সমিতি সম্পাদক হলিৰাম ফুকন, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ শৈক্ষিক বিষয়া যাদৱ গগৈ, মাধুৰ্য বৰুৱাকে ধৰি অধ্যাপক অধ্যাপিকা, ছাত্ৰ ছাত্ৰী, কৰ্মচাৰী সকল উপস্থিত থাকে। অসমীয়া আৰু ইংৰাজী বিভাগৰ যৌথ উদ্যোগত অনুস্থিত হোৱা কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কৰ্ম জীৱন আৰু বিশ্ববাসীলৈ আগবঢ়োৱা থৈ যোৱা অবদানৰ বিষয়ে সমল ব্যক্তি সমাজ শাস্ত্ৰ বিভাগৰ অধ্যাপক প্ৰণাম প্ৰভু বৰুৱাই তথ্য সহকাৰে ব্যক্ত কৰে। অধ্যাপিকাদ্বয় দীপান্বিতা গগৈ আৰু চাবিনা নাচিফা আহমেদৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই জন্মজয়ন্তীত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ ছাত্ৰীসকলে ৰবীন্দ্ৰনাথৰ গীত, মাত, কবিতা আবৃত্তি পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে ।

# মৰিগাঁৱৰ কুকুৰ নিৰ্যাতন কাণ্ড

ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলাৰ কুকুৰ নিৰ্যাতন কাণ্ডই আকৌ এবাৰ নতুনকৈ চৰ্চাৰ সৃষ্টি কৰিছে। এই ঘটনাৰ মুখ্য অভিযুক্ত নাৰায়ণ দাসে ইতিমধ্যে তেওঁৰ বন্ধু জান নাথৰ সহায়ত জামিন লাভ কৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে, জান নাথৰ ওপৰতো বিভিন্নটা এনে অভিযোগ দাখিল কৰা আছে, যাৰ মাজত অন্যতম হৈছে গুৱাহাটী ছয় মাইলস্থিত তেওঁৰ "প্ৰাপ্তি লজ"ত চলি থকা দেহব্যৱসায় কাণ্ড। নাৰায়ণ দাসক লৈ পৰিস্থিতি ভয়ংকৰ হৈ উঠিছে কিয়নো নাৰায়ণ দাসে তেওঁৰ পত্নী আৰু দুজন পুত্ৰক মৃত্যুৰ ভাবুকি দিছে। এই ভাবুকিৰ বাবে, পৰিয়ালৰ সমূহ সদস্যই নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ নিজৰ ঠাই এৰি অইন ঠাইত আশ্ৰয় লোৱা উপক্ৰম ঘটিছে। উল্লেখ্য যে, নাৰায়ণ দাসৰ কৰ্মকাণ্ডৰ বলি হোৱা ভুক্তভোগী আৰু তেওঁৰ সন্তানসকলে আনুষ্ঠানিক এজাহাৰ দাখিল কৰিবলৈ আগবাঢ়িছে, য'ত ভিডিঅ' আৰু চিকিৎসা-প্ৰমাণৰ সহায়ত নাৰায়ণ দাসৰ হাতত বহু বছৰ ধৰি হোৱা অত্যাচাৰৰ বিৱৰণ দিয়া হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে যে তেওঁক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰে। অতি সোনকালে ব্যৱস্থা লোৱাৰ লগতে ভুক্তভোগী আৰু তেওঁৰ সন্তানসকলৰ নিৰাপত্তা নিশ্চিত কৰক, লগতে অভিযুক্তক শাস্তি দিয়ক।

# ভাৰতৰ ১৫খন চহৰলৈ পাকিস্তানে

আক্ৰমণৰ পাছত দুয়ো দেশৰ মাজত উত্তেজনা বৃদ্ধি পোৱাৰ সময়তে পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ পৰা পঞ্জাৱলৈকে এলঅ'চি আৰু সীমান্তত মৰ্টাৰেৰে ধাৰাসাৰ আক্ৰমণ চলাইছে। ভাৰতীয় সেনাই এই আক্ৰমণৰ যথোচিত প্ৰত্যুত্তৰ দি আছে। জম্মু-কাশ্মীৰৰ এলত চিত পাক সেনাৰ গোলাবৰ্ষণত যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। পাকিস্তানী সেনাই নিক্ষেপ কৰা মিছাইল আৰু ড্ৰোন ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাই ব্যৰ্থ কৰিছে। জম্মুৰ মাজ আকাশতে পাকিস্তানী মিছাইল আৰু ড্ৰোন ভাৰতীয় সেনাই ধ্বংস কৰিছে। মঙলবাৰে নিশা পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰেৰে ৯টা স্থানত সন্ত্ৰাসবাদীৰ শিবিৰত মিছাইলেৰে আক্ৰমণ কৰি শিবিৰসমূহ বিধ্বস্ত কৰাৰ লগতে শতাধিক সন্ত্ৰাসবাদীক নিহত কৰাৰ প্ৰত্যুত্তৰ হিচাপে পাকিস্তানে ভাৰতৰ ১৫খন চহৰলৈ লক্ষ্য কৰি মিছাইল নিক্ষেপ কৰে। এই মিছাইল মাজ আকাশতে ধ্বংস কৰে ভাৰতীয় সেনাই। তথ্য মতে, পাকিস্তানী সেনাই ভাৰতৰ অৱন্তিপুৰা, শ্ৰীনগৰ, জম্মু, পাঠানকোট, অমৃতসৰ, কাপুৰথলা, জলন্ধৰ, লুধিয়ানা, আদমপুৰ, ভাতিন্দা, চণ্ডীগড়, নাল, ফালদী, উত্তৰলাই, ভুজলৈ লক্ষ্য কৰি মিছাইল নিক্ষেপ কৰে। এই চহৰকেইখনত থকা সামৰিক প্ৰতিষ্ঠানৰ প্ৰতি পাকিস্তানে নিক্ষেপ কৰা মিছাইল ভাৰতীয় বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই প্ৰতিহত কৰে। মাজ আকাশতে এই মিছাইলকেইটা ধ্বংস কৰি পেলায়। পাকিস্তানে ভাৰতৰ ১৫খন চহৰলৈ লক্ষ্য কৰি নিক্ষেপ কৰা মিছাইলকেইটা বায়ুসেনাৰ এছ ৪০০ সুদৰ্শন চক্ৰ, বায়ু প্ৰতিৰক্ষা মিছাইল ব্যৱস্থাৰ দ্বাৰা প্ৰতিহত কৰে। অত্যাধুনিক শক্তিশালী এছ ৪০০ বায়ু প্ৰতিৰক্ষা মিছাইলে পাকিস্তানৰ সকলো মিছাইলৰ আক্ৰমণ বিফল কৰে। ভাৰতৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তৰ সামৰিক প্ৰতিষ্ঠানত পাক সেনাই লক্ষ্য কৰি নিক্ষেপ কৰা মিছাইল প্ৰতিহত কৰাৰ পাছতেই ভাৰতীয় সেনাই পাকিস্তানৰ বায়ু প্ৰতিৰক্ষা ৰাডাৰ আৰু ব্যৱস্থাক আক্ৰমণৰ লক্ষ্য কৰি লয়। পাকিস্তানৰ ৯খন চহৰত থকা বায়ু প্ৰতিৰোধী ব্যৱস্থাৰ ওপৰত ভাৰতীয় সেনাই ড্ৰোন নিক্ষেপ কৰে। এই আটাইকেইটা ড্ৰোন নিৰ্ধাৰিত লক্ষ্যত বিস্ফোৰিত হৈ পাকিস্তানৰ বায়ু প্ৰতিৰোধী ব্যৱস্থাৰ বিস্তৰ ক্ষতিসাধন কৰে। ভাৰতৰ ড্ৰোনৰ আক্ৰমণত পাকিস্তানৰ এয়াৰ প্ৰতিৰক্ষা ব্যৱস্থা বিধ্বস্ত হৈ পৰে। হাৰ্পি ড্ৰোনেৰে পাকিস্তানী বায়ু প্ৰতিৰক্ষা ব্যৱস্থাত আঘাত হানিবলৈ সক্ষম হয় ভাৰতীয় সেনা। ভাৰতৰ ড্ৰোনৰ আক্ৰমণত লাহোৰৰ ৱাল্টন বিমানবন্দৰৰ বিস্তৰ ক্ষতিসাধন হয়। লাহোৰৰ লগতে কৰাচী, গুজৰনৱালা আৰু ৰাৱালপিণ্ডিত সামৰিক বাহিনীৰ কাৰ্যালয়ত ভাৰতীয় ড্ৰোনে বিস্ফোৰণ ঘটায়। ৰাৱালপিণ্ডিত ড্ৰোনৰ বিস্ফোৰণত ৰাৱালপিণ্ডি ষ্টেডিয়ামৰ বিস্তৰ ক্ষতিসাধন হৈছে। ভাৰতৰ এই নিৰ্ভুল আক্ৰমণৰ তীব্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি পাকিস্তানে দেশীয় আৰু আন্তৰ্জাতিক বিমানৰ উৰণ বন্ধ কৰিছে। বিমানবন্দৰসমূহ বন্ধ ঘোষণা কৰিছে।

# প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত আলোচনা আৰু প্ৰীতি সন্মিলন আয়োজন




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান আৰু স্বৰাজোত্তৰ কালৰ গুৱাহাটীৰ প্ৰথম খন মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ, চমুকৈ 'নাক'ৰ দ্বাৰা A স্তৰৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনৰ শৈক্ষিক-সামাজিক উত্তৰণত নতুন দিশৰ সন্ধান কৰিবলৈ ৯ মে'ত এখন আলোচনা আৰু প্ৰীতি সন্মিলনৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই সভাত অসমৰ শিক্ষা জগতৰ কেইবাজনো গণ্যমান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণ নিৰূপক কোষৰ সমন্বয়ক ড° নমিতা দাসে। অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তই মহাবিদ্যালয়খনৰ সামগ্ৰিক খতিয়ান দাঙি ধৰাৰ পিছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননী গোপাল মহন্তই শিক্ষাৰ ক্ষেত্ৰত অহা বিভিন্ন প্ৰত্যাহ্বান গ্ৰহণ কৰি আগবাঢ়ি যাবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক আহ্বান জনায়। ড° মহন্তই ছাত্ৰ-ছাত্ৰীসকলক সাধনা আৰু দক্ষতা বৃদ্ধিত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। সভাত অসমৰ উচ্চ শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক ড° পমী বৰুৱাৰ উপৰি ড° বলেন্দ্ৰ কুমাৰ দাস, ড° ফণী ডেকা, ড° দয়ানন্দ পাঠক, ড° ধৰ্মেন্দ্ৰ নাথ, ড° ৰঞ্জন কলিতা, ড° জগদীন্দ্ৰ ৰায়চৌধুৰী, প্ৰাক্তন ছাত্ৰ সন্মিলৰ সভাপতি দেবান ধ্ৰুৱজ্যোতি মৰল, ড° পৰমানন্দ ৰাজবংশী, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আদি বিশিষ্ট ব্যক্তিসকলৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাবিদসকল উপস্থিত থাকে।

# সিন্ধু জল চুক্তি বাতিল

সিন্ধু জল চুক্তি বাতিল কৰিছিল। চুক্তি বাতিল কৰাৰ পাছত বিশ্ব বেংকৰ অধ্যক্ষ অজয় বাংগাই ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাৰ পাছত বিশ্ব বেংকৰ অধ্যক্ষ বাংগাই সিন্ধু জল চুক্তি ভাৰতে বাতিল কৰা সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰিছে। বিশ্ব বেংকৰ অধ্যক্ষ বাংগাই কয় যে, ভাৰতে সিন্ধু জল চুক্তি বাতিল কৰা বিষয়ত আমাৰ কোনো ভূমিকা নাই। আমাৰ ভূমিকা কেৱল এজন সুবিধা প্ৰদানকাৰীৰ, গতিকে আমি এই বিষয়ত হস্তক্ষেপ নকৰোঁ। উল্লেখ্য যে ১৯৬০ চনত ভাৰত আৰু পাকিস্তানৰ মাজত বিশ্ব বেংকৰ উদ্যোগত সিন্ধু নদী আৰু ইয়াৰ উপ-নদীক লৈ সিন্ধু জল চুক্তি স্বাক্ষৰিত হৈছিল।

# ধৰমশালাত অনুষ্ঠিত

নিয়ন্ত্ৰণ ব'ৰ্ডে ধৰমশালাৰ ষ্টেডিয়ামৰ কাষৰীয়া অঞ্চলত ব্লেকআউট হোৱাৰ বাবেই ষ্টেডিয়ামৰ লাইট বন্ধ হৈ যায় আৰু ইয়াৰ বাবে মেচখন বাতিল কৰিবলগীয়া হয় বুলি কয়। নিশা পাকিস্তানী সেনাই পঞ্জাৱৰ একাধিক অঞ্চলক লক্ষ্য কৰি আক্ৰমণ চলায়। ৰাজ্যখনৰ কেইবাখনো জিলাত ব্লেকআউট কৰা হৈছিল আৰু ইয়াৰ মাজতে ধৰমশালাৰ ষ্টেডিয়ামৰ লাইট বন্ধ হৈ যায়। ধৰমশালা পাকিস্তান সীমান্তৰ পৰা মাত্ৰ ৬০ কিঃমিঃ দূৰত অৱস্থিত। খেলৰ সময়ত ষ্টেডিয়ামৰ চাৰিটা ফ্লাড লাইট এটা এটাকৈ বন্ধ হয়। কিছু সময়ৰ পিছতে আম্পায়াৰে মেচ বাতিল হোৱাৰ কথা ঘোষণা কৰে আৰু ইয়াৰ পিছতে আয়োজকে দৰ্শক আৰু আইপিএলৰ বিষয়ববীয়াসকলক ষ্টেডিয়াম এৰিবলৈ নিৰ্দেশ দিয়া হয়। বৰ্ষাবিঘ্নিত মেচখনত টছত জয়লাভ কৰি পঞ্জাৱে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। খেলখন ১০.১ অভাৰ সমাপ্ত হোৱাৰ পিছতেই বাতিল কৰে। সেই সময়ত পঞ্জাৱে এটা উইকেট হেৰুৱাই ১২২ ৰান সংগ্ৰহ কৰিছিল। অ'পেনাৰ প্ৰিয়াংশ আৰ্যই ৩৪টা বলত ৭০ ৰান কৰি পেভিলিয়নমুখী হয়। ইফালে, আনজন অ'পেনাৰ প্ৰভছিমৰন সিঙে ২৮টা বলত ৫০ ৰান কৰি অপৰাজিত হৈ থাকে।

# 'অপাৰেচন সিন্দূৰ'ঃ পেহেলগাম

এই অভিযানত স্থলসেনা, বায়ুসেনা আৰু নৌসেনাই সন্মিলিতভাৱে সফল কৰি তোলে। পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ বাহাৱালপুৰত অৱস্থিত জইছ-ই-মহম্মদৰ মুখ্য কাৰ্যালয়ত মিছাইল নিক্ষেপ কৰাত কাৰ্যালয়টো সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। পুলৱামা আৰু সংসদ ভৱন আক্ৰমণকে ধৰি ভাৰতত অনেক সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত জইছ-ই-মহম্মদৰ কাৰ্যালয়ত সেনাই চলোৱা আক্ৰমণত সন্ত্ৰাসবাদী সংগঠনটোৰ মুৰব্বী মাছুদ আজহাৰৰ পৰিয়ালৰ ১০ সদস্য নিহত হয়। লগতে মাছুদ আজহাৰৰ ৪ ঘনিষ্ঠ সহযোগীও এই আক্ৰমণত নিহত হয়। বাহাৱালপুৰত অৱস্থিত সন্ত্ৰাসবাদী সংগঠনটোৰ মুখ্য কাৰ্যালয়টো ভাৰতৰ পঞ্জাৱৰ ফাজিলকাৰ পৰা প্ৰায় ১৮০-২০০ কিলোমিটাৰ দূৰত অৱস্থিত। পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰেই মুৰিডকেত ভাৰতীয় সেনাই মিছাইল আক্ৰমণ কৰে। ভাৰতৰ গুৰদাসপুৰৰ পৰা প্ৰায় ১৪০ কিলোমিটাৰ নিলগত অৱস্থিত লস্কৰ-ই-তৈবাৰ ঘাটিতো মুৰিডকেত ঘাটি থকা লস্কৰ-ই-তৈবা ২০০৮ চনৰ মুম্বাই আক্ৰমণ আৰু ২০২৫ চনৰ পেহেলগামৰ আক্ৰমণত জড়িত। তেনেদৰে পিঅ'কেৰ কোটলিতো ভাৰতীয় সেনাই আক্ৰমণ চলায়। জম্মু-কাশ্মীৰৰ পুঞ্চৰ পৰা প্ৰায় ৩৫-৪০ কিলোমিটাৰ নিলগত অৱস্থিত কোটলিৰ এই সন্ত্ৰাসবাদীৰ শিবিৰটোত আত্মঘাতী বোমাৰুৰ প্ৰশিক্ষণ দিয়া হয় আৰু ইয়াৰ পৰাই সঘনে কাশ্মীৰত অনুপ্ৰৱেশ অনুপ্ৰৱেশ কৰে। পাক অধিকৃত কাশ্মীৰৰ গুলমূৰৰ গুলমূৰৰ শিবিৰটো সেনাই আক্ৰমণ চলায়। এই শিবিৰটো পুঞ্চৰ পৰা ৬-৭ কিলোমিটাৰ নিলগত অৱস্থিত। এই শিবিৰটো সন্ত্ৰাসবাদীৰ লঞ্চপেড হিচাপে ব্যৱহাৰ হৈ আছে। ৰাজৌৰী আৰু পুঞ্চ জিলাত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে এই শিবিৰটোৰ পৰাই পাক সন্ত্ৰাসবাদী ভাৰতীয় ভূমিত অনুপ্ৰৱেশ কৰে। এলঅ'চিৰ সমীপত গুলমূৰৰ সন্ত্ৰাসবাদীৰ শিবিৰটো। আনহাতে পাক অধিকৃত কাশ্মীৰৰ কটলি জিলাৰ ছাৱাইত থকা সন্ত্ৰাসবাদীৰ ঘাটিটো জম্মু ছেক্টৰৰ পৰা ১৫ কিলোমিটাৰ নিলগত অৱস্থিত। এই ঘাটিটোৰ পৰাই সোণমাৰ্গ, গুলমাৰ্গ, পেহেলগাম আদিত সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলাই আহিছে। পুঞ্চৰ পৰা ১২ কিলোমিটাৰ নিলগত অৱস্থিত ছৰজাল। পাক অধিকৃত কাশ্মীৰৰ এই স্থানৰ পৰাই সন্ত্ৰাসবাদীয়ে সঘনে জম্মু-কাশ্মীৰত অনুপ্ৰৱেশ কৰে। মেনধৰৰ পৰা ১০ কিলোমিটাৰ নিলগত পাক অধিকৃত কাশ্মীৰৰ বাৰ্ণালা সন্ত্ৰাসবাদীৰ ঘাটি, চন্ত্ৰা জিলাৰ পৰা ৩০ কিলোমিটাৰ নিলগত মেহমুনা। এই মেহমুনা হৈছে হিজবুল মুজাহিদীনৰ সুৰক্ষিত ঘাটি। ইয়াৰ পৰাই সীমান্তৰ সিপাৰৰ পৰা আহি জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰে। আনপিনে জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ কৃষ্ণঘাটি ছেক্টৰৰ পৰা মাত্ৰ ৫ কিলোমিটাৰ নিলগত পাক অধিকৃত কাশ্মীৰৰ টাট্টাপানীত থকা সন্ত্ৰাসবাদীৰ ঘাটিতো আক্ৰমণ চলায় ভাৰতীয় সেনাই। এই ৯টা স্থানত নিৰ্ধাৰিত ২১টা সন্ত্ৰাসবাদীৰ প্ৰশিক্ষণ শিবিৰৰ ভিতৰত আছে ছাৱাই নালা, চৈয়দ না বিলাল, মস্কৰ-ই-আকছা, চেলাবান্দি, আব্দুল্লা বিন মাছুদ, দুলাই, গৰহি হবিবুল্লাহ, বাত্ৰাচি, বালাকোট, অঘিহি, বই, গুলপুৰ, কোটলি, বাৰালি, ডুংগী, বাৰনালা, মেহমুনা জয়া, মুৰিডকে, চৰজল, বাহাৱালপুৰ। এই আটাইকেইটা প্ৰশিক্ষণ শিবিৰত ভাৰতীয় সেনাই বিমানেৰে মিছাইল নিক্ষেপ কৰি ধ্বংসস্তূপত পৰিণত কৰে। অপাৰেচন সিন্দূৰত ভাৰতীয় সেনাৰ আক্ৰমণত পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত অতিকমেও ৭০ সন্ত্ৰাসবাদী নিহত হোৱাৰ লগতে ৬০ৰো অধিক আহত হৈছে। তথ্য মতে, বাহাৱালপুৰ আৰু মুৰিডকেৰ সন্ত্ৰাসবাদীৰ ঘাটিত ভাৰতীয় সেনাই অতি ভয়াৱহ আক্ৰমণ চলায়। এই আক্ৰমণত দুয়োটা সন্ত্ৰাসবাদীৰ ঘাটিত অতিকমেও ৪০ সন্ত্ৰাসবাদীৰ মৃত্যু ঘটিছে। উল্লেখ্য যে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ মিনি ছুইজাৰলেণ্ডখ্যাত পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে ২৫ পৰ্যটকসহ ২৬জনক বৰ্বৰতাৰে হত্যা কৰিছিল। এই সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধকল্পেই ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত সন্ত্ৰাসবাদীৰ ঘাটিত ভয়াৱহ আক্ৰমণ চলায়।

# 'অপাৰেচন সিন্দূৰ'ৰ সফলতাৰ

ইপিনে কেন্দ্ৰীয় কেবিনেটতো প্ৰধানমন্ত্ৰী মোদীয়ে 'অপাৰেচন সিন্দূৰ'ৰ সফলতা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। কেন্দ্ৰীয় কেবিনেটত প্ৰধানমন্ত্ৰী মোদীয়ে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত সেনাই নিৰ্ভুল অভিযান চলাইছিল বুলি উল্লেখ কৰি সেনাৰ এই সফলতাক দেশবাসীৰ বাবে গৌৰৱৰ ক্ষণ বুলি অভিহিত কৰে। মন কৰিবলগীয়া যে প্ৰধানমন্ত্ৰী মোদীয়ে অপাৰেচন সিন্দূৰ গোটেই নিশা নিৰীক্ষণ কৰিছিল। সেই সফল অভিযানৰ পাছত কেন্দ্ৰীয় কেবিনেটত অভিযান সম্পৰ্কত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতীয় সেনাই পৰিকল্পিত প্ৰস্তুতিৰে নিৰ্ভুল অভিযান সামৰিছে। ভাৰতীয় সেনাৰ এই সফলতাক প্ৰধানমন্ত্ৰীয়ে ভূয়সী প্ৰশংসাও কৰে। স্থল-জল আৰু বায়ুসেনাই যৌথভাৱে এই অভিযান চলাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে অভিযান সন্দৰ্ভত ব্যাখ্যা আগবঢ়োৱাৰ পাছত কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীসকলে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ ওপৰত পূৰ্ণ আস্থা আছে বুলি মন্তব্য কৰে। সমগ্ৰ দেশেই প্ৰধানমন্ত্ৰী মোদীৰ সৈতে আছে বুলিও কয় কেবিনেট মন্ত্ৰীসকলে।

# 'অপাৰেচন সিন্দূৰ'ৰ সাফল্য

সিন্দূৰৰ নামেৰেই পেহেলগামৰ আক্ৰমণকাৰীৰ বিৰুদ্ধে চলোৱা অভিযান অপাৰেচন সিন্দূৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়াই সেই আক্ৰমণৰ ঘাটিসমূহ প্ৰদৰ্শন কৰে। ভাৰতীয় সেনাই চলোৱা আক্ৰমণৰ তথ্য প্ৰচাৰ কৰি কৰ্নেল কুৰেশ্বিয়ে কয়- বিগত তিনি দশক ধৰি পাকিস্তানে সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি তৈয়াৰ কৰি আহিছে। প্ৰশিক্ষণ শিবিৰ, নিযুক্তি কেন্দ্ৰ, লঞ্চ পেড আদি পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত স্থাপন কৰিছে। ভাৰতীয় সেনাৰ অভিযানৰ লক্ষ্য হৈছে সন্ত্ৰাসবাদীৰ এই আন্তঃগাঁথনিসমূহ সমূলঞ্চে বিধ্বস্ত কৰা আৰু পৰৱৰ্তী সময়ত যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখা। সংবাদ মেলত কৰ্নেল কুৰেশ্বিয়ে ৬-৭ মে'ৰ মাজনিশা ১.০৫ বজাৰ পৰা ১.৩০ বজালৈ ভাৰতীয় স্থলসেনা আৰু বায়ুসেনাই পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত অপাৰেচন সিন্দুৰৰ সফল অভিযান চলায় বুলি কয়। তদুপৰি কৰ্নেল কুৰেশ্বিৰ লগতে উইং কমাণ্ডাৰ সিঙেও পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ভাৰতীয় সেনাৰ অভিযান সম্পৰ্কে তথ্য আগবঢ়ায়। বৈদেশিক সচিব মিশ্ৰিয়ে কয় যে জানি-শুনিয়েই পাকিস্তানে সন্ত্ৰাসবাদ লুকাই ৰাখে। পেহেলগামৰ আক্ৰমণত পাকিস্তানৰ সন্ত্ৰাসবাদী সংগঠন জড়িত থকাটো তদন্তত নিশ্চিত হৈছে। সেয়েহে ভাৰতে সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ চলাইছে। সন্ত্ৰাসবাদীক সমূলঞ্চে নিৰ্মূল কৰিবলৈ এই আক্ৰমণ চলোৱা হৈছে। উল্লেখ্য যে কৰ্নেল ছোফিয়া কুৰেশি হৈছে বহু ৰাষ্ট্ৰীয় সামৰিক অনুশীলনত সেনাৰ দলক নেতৃত্ব প্ৰদান কৰা প্ৰথমগৰাকী মহিলা বিষয়া।

# কেন্দ্ৰীয় চৰকাৰৰ আহ্বানত

পাকিস্তানৰ ভূমিত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীৰ ঘাটিত মোক্ষম আঘাত অনা ভাৰতীয় সেনাক ভূয়সী প্ৰশংসা কৰি ৰাজনাথ সিঙে বৈঠকখনত অপাৰেচন সিন্দূৰ সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে। এই বৈঠকতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে পাকিস্তানৰ পৰা আহিব বৰা সম্ভাব্য সকলো আক্ৰমণ ভাৰতে প্ৰতিহত কৰিবলৈ সাজু হৈ আছে বুলি কয়। পেহেলগামৰ নৰসংহাৰৰ প্ৰতিশোধকল্পে ভাৰতীয় সেনাই চলোৱা অপাৰেচন সিন্দূৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপক পূৰ্ণ সমৰ্থন আগবঢ়ায় বিৰোধী দলসমূহে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই সীমান্তৰ সিপাৰৰ পৰা চলা সন্ত্ৰাসবাদীৰ সকলো কূটাঘাত উৎখাতৰ ক্ষেত্ৰত চৰকাৰক সমৰ্থন কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথোপকথনত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি খাৰ্গেই কয়- আমি চৰকাৰে কোৱা কথাবোৰ শুনিলোঁ। দেশৰ স্বাৰ্থৰ বাবেই, ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবেই গোপনীয় কোনো কথা ৰাজহুৱা কৰা উচিত নহয়। অৱশ্যে বৈঠকত উপস্থিত থকা ৰাজনৈতিক দলৰ সদস্যসকলে এই সংকটৰ সময়ত চৰকাৰৰ সৈতে একেলগে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ আহ্বানত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত লোকসভাৰ বিৰোধী দলপতি, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ নেতা ৰামগোপাল যাদৱ, টিএমচিৰ সাংসদ সুদীপ বন্দোপাধ্যায়, আম আদমী পাৰ্টীৰ সঞ্জয় সিং, শিৱসেনা ইউবিটিৰ সঞ্জয় ৰাউট, এনচিপি এছপিৰ সুপ্ৰিয়া সুলে, বিজেডিৰ সস্মিত পাত্ৰ, চিপিআই(এম)ৰ জোন বিট্ৰাছ, জেডিইউৰ সঞ্জয় ঝা, এআইএমআইএমৰ আছাদুদ্দিন ওৱেছি উপস্থিত থাকে। বৈঠকখনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱান, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাও উপস্থিত থাকে।

# টেষ্ট ক্ৰিকেটৰ পৰা

পঞ্চম তথা অন্তিমখন টেষ্টৰ বাবে ৰোহিতক টীম ইণ্ডিয়াৰ মূল একাদশৰ পৰা আঁতৰাই ৰখা হৈছিল। উক্ত সময়ৰ পৰাই আৰম্ভ হৈছিল ৰোহিত শৰ্মাৰ অৱসৰ সন্দৰ্ভত জল্পনা-কল্পনা। ইংলেণ্ড ভ্ৰমণত ভাৰতীয় দলটোক নতুন অধিনায়কে নেতৃত্ব দিব বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পোৱাৰ পিছতেই ৰোহিত শৰ্মাই টেষ্ট ক্ৰিকেটক বিদায় জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন কৰিবলগীয়া যে বিগত ১০খন টেষ্টত ৰোহিত শৰ্মাৰ প্ৰদৰ্শন আছিল পুতৌজনক। টীম ইণ্ডিয়াৰ অধিনায়কগৰাকীয়ে বিগত ১০খন টেষ্টত মাত্ৰ ১৬৪ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। ৩৮ বছৰীয়া ৰোহিত শৰ্মাই টীম ইণ্ডিয়াক ৬৭খন টেষ্টত প্ৰতিনিধিত্ব কৰিছিল। ২০১৩ চনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে টেষ্ট অভিষেক ঘটা ৰোহিত শৰ্মাই বিগত বৰ্ষৰ ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টেই আছিল কেৰিয়াৰৰ অন্তিমখন টেষ্ট। ৬৭খন টেষ্টত ১২টা শতকেৰে ৪, ৩০১ ৰান কৰা ৰোহিত শৰ্মাই ২৪খন টেষ্টত ভাৰতীয় দলটোক নেতৃত্ব দিছিল। ইয়াৰে ১২খনত জয়ৰ মুখ দেখাৰ বিপৰীতে ৯খনত পৰাজয়ৰ গ্লানি সহিবলগীয়া হৈছিল।

# পাকিস্তানৰ এয়াৰ ডিফেঞ্চ

কৰি লোৱা নাই আৰু এতিয়াও ভাৰতৰ লক্ষ্য যুদ্ধ বৃদ্ধি কৰা নহয় বৰঞ্চ প্ৰত্যুত্তৰ দিয়াহে। সীমান্ততো অবিৰতভাৱে গুলীচালনা চলি আছে। কুপৱাৰা, বাৰামুল্লা, পুঞ্চ, মেন্ধৰ, ৰাজৌৰী আদি অঞ্চলত পাকিস্তানে মৰ্টাৰ আৰু গধুৰ আৰ্টিলাৰী নিক্ষেপ কৰিছে। এই কুৎসিত গুলীচালনাত তিনিগৰাকী মহিলা আৰু ৫টা শিশুকে ধৰি ১৬জন নিৰীহ ভাৰতীয় নাগৰিকৰ প্ৰাণহানি হয়। ভাৰতৰ বাৰ্তা স্পষ্ট, "আমি তীব্ৰতৰ বৃদ্ধি নিবিচাৰো, কিন্তু আমি কেনেকৈ সঁহাৰি জনাব জানো"। ভাৰতীয় সেনাই পুনৰ এবাৰ স্পষ্ট কৰি দিছে যে ভাৰতে যুদ্ধ নিবিচাৰে। কিন্তু যদি ইয়াৰ সামৰিক ঘাটি বা সাধাৰণ নাগৰিকক আক্ৰমণ কৰা হয়, তেন্তে ভাৰতে ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ থমকি নৰয়। এই কাৰণেই LOCত পাকিস্তানৰ গোলাবাৰুদৰ তীব্ৰ সঁহাৰি দিয়া হৈছে।

# লোকসেৱা ভৱনত কাম

আৱাস, বিষয়া-কৰ্মচাৰীসকলৰ বাসভৱন, বাট-পথ নিৰ্মাণ আদিকে ধৰি প্ৰস্তাৱিত মাষ্টাৰ প্লেনখনৰ বিভিন্ন দিশত আলোচনা কৰে। তদুপৰি আজিৰ বৈঠকতে ডিব্ৰুগড়ত প্ৰস্তাৱিত অসম বিধান সভা ভৱন, বিধায়ক আৱাস আৰু ১০০ কোঠা বিশিষ্ট নতুন আৱৰ্ত ভৱনৰো প্ৰস্তাৱিত নক্সাকে ধৰি কামৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ আৱৰ্ত ভৱন চৌহদত নিৰ্মীয়মাণ অসম ৰাজ্যিক সন্মিলন কেন্দ্ৰটোৰ নিৰ্মাণৰো বৰ্তমানলৈ হোৱা অগ্ৰগতিৰ বুজ লয়।

# যুদ্ধবিৰতি উলংঘা

ড্ৰোণ আকাশত দেখা বুলি দাবী কৰা হৈছে। ঠিক তেনেদৰে পাঞ্জাৱৰ প্ৰান্তে প্ৰান্তে পাকিস্তানে ড্ৰোণেৰে আক্ৰমণ কৰা বুলি প্ৰচাৰিত হৈছে। সজাগতা হিচাপে পাঞ্জাৱৰ জিলাকেইখনত ব্লেক আউট ঘোষণা কৰা হৈছে। ৰাজস্থানৰ কেইবাখনো চহৰত ব্লেক আউট ঘোষণা কৰা হৈছে। উল্লেখ্য যে, ভাৰত-পাকৰ যুদ্ধই ক্ৰমান্বয়ে বেয়া ফালে ঢাল খোৱাৰ সময়তে আমেৰিকাৰ মধ্যস্থতাত এক দীঘলীয়া আলোচনাৰ অন্তত ভাৰত আৰু পাকিস্তানে সম্পূৰ্ণ আৰু তাৎক্ষণিক যুদ্ধবিৰতিৰ ওপৰত সহমত প্ৰকাশ কৰিছে । শনিবাৰে বিয়লি এই কথা সদৰী কৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। কিন্তু এই আলোচনাৰ পৰিণাম বৰ্তমান অসাৰ প্ৰতিপন্ন হ'ল। পাকিস্তানে এদিনো পালন কৰিব নোৱাৰিলে নিজৰ প্ৰতিশ্ৰুতি।

# স্নাতকৰ নামভৰ্তিৰ বাবে

৪-৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ৬ জুনত দ্বিতীয়খন মেধাৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু ৭ জুনত উক্ত তালিকাখন প্ৰকাশ কৰা হ'ব। ৯-১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১-১৪ জুনত থিতাতে হোৱা নামভৰ্তি অৰ্থাৎ স্প'ট এডমিছন আৰম্ভ হোৱাৰ পাছতে অহা ১ আগষ্টৰ পৰা প্ৰথম ষাণ্মাসিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। আনহাতে উমেহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চিইউইটিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তিৰ ক্ষেত্ৰত অহা ৫ জুলাইৰ পৰা সকলো প্ৰক্ৰিয়া আৰম্ভ হ'ব। বিভাগীয় নিৰ্দেশনা মতে অহা ৫ জুলাইৰ পৰা ৯ জুলাইলৈকে পঞ্জীয়ন, আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১৪-১৫ জুলাইত সংশোধন আৰু ১৬-১৮ জুলাইলৈকে যদি শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা সংশোধিত আবেদনৰ পৰীক্ষণ থাকে সেয়া কৰা হ'ব। ১৯ জুলাইত প্ৰথম মেধা তালিকা প্ৰস্তুত কৰি প্ৰকাশ কৰা হ'ব। ২১-২২ জুলাইত উক্ত তালিকাৰ অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৩ জুলাইত দ্বিতীয় মেধাৰ তালিকা প্ৰস্তুত কৰি প্ৰকাশ কৰা হ'ব আৰু ২৫-২৬ জুলাইত নামভৰ্তি প্ৰক্ৰিয়া হ'ব। ২৮ জুলাইত স্প'ট এডমিছন আৰু ১ আগষ্টত প্ৰথম ষাণ্মাসিকৰ শ্ৰেণী আৰম্ভ হ'ব। অৱশ্যে চিইউইটিৰ ফলাফল ঘোষণাৰ সময়ৰ সৈতে সংগতি ৰাখি এই সময়সূচী পৰিৱৰ্তন হোৱাৰো সম্ভাৱনা নথকা নহয় বুলি বিভাগে সদৰী কৰিছে।

# ৰাণীৰ কৈলাসপুৰ পানী

মিশ্ৰণৰ অনুপাত পৰীক্ষাৰ বাবে বাগৰিপৰা দেৱালখনৰ চিমেন্টৰ টুকুৰা সংগ্ৰহ কৰে। পৰীক্ষাগাৰত প্ৰেৰণ কৰা নমুনা সমূহৰ প্ৰতিবেদন আহি পোৱাৰ পিছত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়ৰ পৰাও নিৰ্মাণ সম্পৰ্কীয় নথি-পত্ৰ সংগ্ৰহ কৰিব। যদি চৰকাৰী নীতি মতে নিৰ্মাণ কাৰ্য চলোৱা নাই, তেনেহ'লে ঠিকাদাৰ আৰু এই নিৰ্মাণ কাৰ্যত তত্বাৱধায়ক ৰূপে জড়িত অভিযন্তাগৰাকীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও উক্ত লোক কেইজনে ব্যক্ত কৰে। ইপিনে আসোৱাহপূৰ্ণভাৱে কৰা নিৰ্মাণ কাৰ্যৰ লগত জড়িত ঠিকাদাৰ, অভিযন্তাগৰাকীক বিভাগীয় তদন্তৰ আওতালৈ আনিব লাগে বুলিও দাবী কৰে। কিয়নো ৰাজহুৱা সম্পদ এটা এইধৰণে নিৰ্মাণ কৰি থৈ যোৱাৰ ফলত বৃহৎ ক্ষতিৰ সন্মুখীন হ'বলগীয়া হ'ব লাগিব।

# এসপ্তাহৰ বাবে স্থগিত

সন্দৰ্ভত আলোচনা কৰাৰ পাছতহে পৰৱৰ্তী খেলৰ নতুন তাৰিখ আৰু স্থান ঘোষণা কৰা হ'ব। সকলো অংশীদাৰ আৰু অধিকাংশ ফ্ৰেন্ছাইচিৰ সৈতে পৰামৰ্শৰ পাছত আইপিএল গৱৰ্নিং কাউঞ্চিলে এই সিদ্ধান্ত গ্ৰহণ কৰে। ব্ৰ'ডকাষ্টাৰ, স্প'ন্সৰ আৰু শুভাকাংক্ষীৰ লগতে খেলুৱৈসকলৰ সংবেদনশীলতাৰ উদ্বিগ্নতাক প্ৰাধান্য দি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইপিনে, বিবৃতিত সশস্ত্ৰ বাহিনীৰ শক্তি আৰু সমৰসজ্জাত সম্পূৰ্ণ আস্থা প্ৰকাশ কৰে বিচিচিআয়ে। উল্লেখ্য যে ৮ মে'ৰ সন্ধিয়া জন্মু-কাশ্মীৰৰ পৰা পঞ্জাৱলৈকে পাকিস্তানী সেনাৰ আক্ৰমণৰ ফলত পৰিস্থিতি উত্তেজনাময় হৈ উঠাৰ পৰিপ্ৰেক্ষিতত ধৰমশালাত চলি থকা পঞ্জাব কিংছ আৰু দিল্লী কেপিটেলছৰ মেচখন আধাতে বাতিল কৰিবলগীয়া হয়। বিদেশী খেলুৱৈসকলৰ উদ্বিগ্নতাৰ প্ৰতি লক্ষ্য ৰাখি বিচিচিআয়ে মেচখন সাময়িকভাৱে স্থগিত ৰাখিছিল। এই মেচখন স্থগিত ৰখাৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা অধিক বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিততেই নিৰাপত্তা আৰু সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আইপিএলৰ পৰৱৰ্তী মেচসমূহ এসপ্তাহৰ বাবে স্থগিত ৰখা হৈছে।

# ভাৰতীয় সেনাৰ 'অপাৰেচন সিন্দূৰ'ত

মুম্বাই আক্ৰমণ, পুলৱামা আক্ৰমণ আদিত জড়িত জইছ-ই-মহম্মদৰ লগতে লস্কৰ-ই-তৈবাৰ দুৰ্ধৰ্ষ নেতা এই অভিযানত নিহত হোৱাটো ভাৰতীয় সেনাৰ বাবে বৃহৎ সফলতা। ২২ এপ্ৰিলৰ পেহেলগামৰ নৰসংহাৰৰ প্ৰত্যাঘাত হিচাপে ৭ মে'ত ভাৰতীয় সেনাই চলোৱা 'অপাৰেচন সিন্দূৰ'ত জইছ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজাহাৰৰ পৰিয়ালৰ ১০জন সদস্য নিহত হৈছে। ইয়াৰ ভিতৰত কান্দাহাৰ বিমান অপহৰণত জড়িত দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ৰোফ আজাহাৰো আছে। শেহতীয়া তথ্যমতে, দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী মুদাছাৰ খাদিয়ান খাছ, হাফিজ মহম্মদ জামিল, খালিদ (আবু আকাশা) আৰু মহম্মদ হাছান খানো 'অপাৰেচন সিন্দূৰ'ত নিহত হৈছে। মুদাছাৰ ওৰফে আবু জিন্দাল লস্কৰ-ই-তৈবাৰ জ্যেষ্ঠ কমাণ্ডাৰ। মুৰিদ কেৰ ঘাটিত কমাণ্ডাৰ জিন্দাল নিহত হৈছে। খালিদ ওৰফে আবু আকাশা লস্কৰ-ই-তৈবাৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী খালিদে জন্মু-কাশ্মীৰত বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত আছে। আফগানিস্তানৰ পৰা অস্ত্ৰ সৰবৰাহত জড়িত মহম্মদ হাছান খান জইছ-ই-মহম্মদৰ দুৰ্ধৰ্ষ কমাণ্ডাৰ। কাশ্মীৰী মুক্তি আজগড় খানৰ পুত্ৰ হাছান খানে পাকিস্তানত জইছ-ই-মহম্মদৰ অপাৰেচন কমাণ্ডাৰ। মন কৰিবলগীয়া যে 'অপাৰেচন সিন্দূৰ'ৰ সময়ত ১০০ জনৰো অধিক সন্ত্ৰাসবাদী নিহত হৈছে। এই সন্ত্ৰাসবাদীৰ পৰিচয় লাহে লাহে লাভ কৰিবলৈ সক্ষম হৈছে ভাৰতীয় চোৰাংচোৱা সংস্থাই। মন কৰিবলগীয়া যে ভাৰতৰ ভূমিত সন্ত্ৰাসমূলক কাৰ্যত জড়িত নিষিদ্ধ পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ দুৰ্ধৰ্ষ সদস্যক পাকিস্তানৰ ভূমিতেই হত্যা কৰাটো ভাৰতীয় সেনাৰ বাবে বৃহৎ সফলতা।

# মহানগৰীত পাইপযোগে প্ৰাকৃতিক

জড়িত আন ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ তুলনাত পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেডে দ্ৰুতগতিত গুৱাহাটীত পাইপযোগে গেছ যোগানৰ কাম সম্পূৰ্ণ কৰা কাৰ্যই প্ৰতিষ্ঠানটোৰ পাৰদৰ্শিতাকে প্ৰতিফলিত কৰিছে। তেওঁ সদৰী কৰা মতে, পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেডে এই সমগ্ৰ প্ৰকল্পটোত ২৬১৬.৯৫ কোটি টকা ব্যয় কৰিব আৰু কামৰূপ তথা কামৰূপ (মহানগৰ) জিলাত ২০২৮ চনৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত এই কাম সমাপ্ত হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটী মহানগৰীত ঘৰে ঘৰে প্ৰাকৃতিক গেছ যোগানৰ বাবে পাইপ স্থাপনৰ কাম যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল। গুৱাহাটীত নলযোগে পানী যোগানৰ উদ্দেশ্যে পাইপ স্থাপনৰ কামত জড়িত প্ৰতিষ্ঠানসমূহেও যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেডে পাইপ স্থাপনৰ এই কাম অত্যন্ত দক্ষতাৰে সমাপন কৰাৰ বাবে মহানগৰবাসীৰ বিশেষ কোনো অসুবিধা হোৱা নাছিল। পূৰ্ব ভাৰতীয়ে ৰূপায়ণ কৰা চিটী গেছ প্ৰকল্পৰ অধীনত ইতিমধ্যে প্ৰায় ৭৬৫ কিলোমিটাৰ মধ্যম ঘনত্বৰ পলিইথাইলিন পাইপলাইন আৰু প্ৰায় ৪৩ কিলোমিটাৰ ষ্টীল পাইপলাইন স্থাপন কৰা হৈছে। ৩০,৬৯৩টা পৰিয়ালে ইতিমধ্যে ঘৰুৱা পাইপযুক্ত প্ৰাকৃতিক গেছৰ সংযোগৰ বাবে পঞ্জীয়ন কৰিছে বুলিও জানিবলৈ দি তেওঁ কয় যে 'লাষ্ট মাইল' অৰ্থাৎ শেষৰ শাৰীৰ ৬, ১৭৫টা ঘৰুৱা পাইপযুক্ত প্ৰাকৃতিক গেছৰ সংযোগো সম্পূৰ্ণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত গেছ গ্ৰীড স্থাপন হোৱাৰ পিছত ৰাজ্যত গেছৰ অভাৱ দূৰ হৈছে। ইতিমধ্যে যাৱতীয় আন্তঃগাঁথনি নিৰ্মাণ হৈ উঠাৰ ফলত এইদৰে পাইপযোগে গেছ যোগান ধৰাৰ কাম বিভিন্ন অঞ্চললৈ সম্প্ৰসাৰণ কৰিব পৰা যাব। এনে গেছ সংযোগৰ সুবিধা গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ জনসাধাৰণক তেওঁ আহ্বান জনায়। আনহাতে, হাজো, শুৱালকুছি, ৰঙিয়া আৰু বাইহাটা চাৰিআলিত পাইপযোগে গেছ যোগানৰ প্ৰাৰম্ভিক কামৰ শুভাৰম্ভ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ দৰে গুৱাহাটীক কেন্দ্ৰ কৰি ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ গঠনৰ পৰিৱেশ এটা লাহে লাহে গঠন হ'ব ধৰিছে। প্ৰস্তাৱিত ৰিং ৰোডৰ কাম সম্পূৰ্ণ হৈ উঠাৰ পিছত গুৱাহাটীৰ সমীপৱৰ্তী এই অঞ্চলসমূহ প্ৰকৃতাৰ্থতে 'ৰিং' এটাৰ বাট হৈ পৰিব। তেওঁ উল্লেখ কৰে যে চলিত বছৰৰ ডিচেম্বৰ মাহত গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ কাম সম্পূৰ্ণ হ'ব। আনহাতে, সম্প্ৰতি দ্ৰুতগতিত নিৰ্মাণকাৰ্য চলি থকা পলাশবাৰী-শুৱালকুছি দলঙৰ কাম ২০২৭ চনত শেষ হ'ব। তেনেদৰে নাৰেংগী-কুৰুৱা সংযোগী দলং নিৰ্মাণ হৈ উঠাৰ পিছত বৰ্তমান গুৱাহাটীৰ সমীপৱৰ্তী এক বৃহৎ অঞ্চলৰ পৰা মহানগৰীলৈ যাতায়াত এটা সময়ত যথেষ্ট সুচল আৰু কম সময়সাপেক্ষ হৈ পৰিব। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যত চিএনজি ষ্টেচনৰ সংখ্যা বৃদ্ধিত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে দিল্লীকে ধৰি দেশৰ বহু অঞ্চলত এনে চিএনজি ষ্টেচন ইতিমধ্যে স্থাপন কৰা হৈছে। অসমতো এনে চিএনজি ষ্টেচনৰ সংখ্যা বৃদ্ধিয়ে এনে ইন্ধনেৰে চালিত বাহনৰ সংখ্যা বৃদ্ধিত উদ্‌গনি যোগাব আৰু ইয়ে বায়ুৰ গুণমান উন্নত কৰি ৰখাত অৰিহণা যোগাব। তেওঁ লগতে উল্লেখ কৰে যে ৰাজ্যত বৰ্তমান চুটা এনে ষ্টেচন আছে আৰু শিলচৰৰ পিছত হাইলাকান্দি আৰু শ্ৰীভূমিত এনে ষ্টেচন স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ লগতে পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেডক অতি স্বচ্ছতা আৰু উদ্যমেৰে কাম-কাজ অব্যাহত ৰাখিবলৈও আহ্বান জনায়। তেওঁ লগতে কয় যে পেহেলগামৰ ঘটনাক কেন্দ্ৰ কৰি দেশত বিৰাজমান শেহতীয়া পৰিস্থিতিৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কাৰ্যকালৰ চতুৰ্থটো বৰ্ষ পূৰ্ণ কৰা আজিৰ দিনটো বিশেষ উলহ-মালহেৰে পালন কৰাৰ পৰা বিৰত আছে। এই অনুষ্ঠান উপলক্ষে পূৰ্ব ভাৰতী গেছ কোম্পানী প্ৰাইভেট লিমিটেডে প্ৰকাশ কৰা 'শিখা' শীৰ্ষক স্মৰণিকাখনো মুখ্যমন্ত্ৰী ড° শৰ্মাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়া, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, মুখ্য সচিব ড° ৰবি কোটা, পূৰ্ব ভাৰতী গেছ কোম্পানী প্ৰাইভেট লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ বৰুৱা, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# পাকিস্তানক আই এম এফৰ

কৰি এই ধন অপব্যৱহাৰ কৰাৰ দৃষ্টান্ত আছে বুলি ভাৰতে অভিযোগ উত্থাপন কৰি আইএমএফৰ গুৰুত্বপূৰ্ণ ব'ৰ্ড মিটিঙত ভাৰত অনুপস্থিত থাকে। পেহেলগামত নৰসংহাৰৰ প্ৰত্যাঘাত হিচাপে ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ ৯টা নিষিদ্ধ সংগঠনৰ ঘাটিত আকাশ মাৰ্গেৰে বিধ্বংসী আক্ৰমণ চলায়। এই আক্ৰমণৰ পাছতেই পাকিস্তানে আইএমএফৰ পৰা ঋণ বিচাৰি আবেদন জনায়। পাকিস্তানৰ এই আবেদনক ভাৰতে আপত্তি জনালেও শুকুৰবাৰে আইএমএফে পাকিস্তানলৈ এক বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ মঞ্জুৰ কৰে। এই ঋণ এক্সটেনটেড ফাণ্ড ফেচিলিটী চমুকৈ ইএফএফ কাৰ্যসূচীৰ অধীনত মঞ্জুৰ কৰা হয়। পাকিস্তানক ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত আয়োজিত জৰুৰী আইএমএফৰ ব'ৰ্ড মিটিঙত ভাৰতে আপত্তি দৰ্শাই উপস্থিত নাথাকিল।

ENGLISH NEWS SECTION

## Governor launches De-addiction Campaign under Nasha Mukt Bharat Abhiyan




Guwahati,RB News: In a major step towards creating a drug-free,healthy, and peaceful society, Governor of Assam, Shri Lakshman Prasad Acharya, today launched a de-addiction campaign under the Nasha Mukt Bharat Abhiyan (NMBA). The initiative, organized by the Medical Wing of the Prajapita Brahma Kumaris Ishwariya Vidyalaya (Rajyoga Education), was inaugurated at the Brahma Kumaris Sub-Zone Centre in Guwahati. Speaking on the occasion, the Governor emphasized the campaign's significance not only as a social intervention but as a crucial nation-building initiative. "The Drug-Free India Campaign is an important national mission. Its primary goal is to raise widespread awareness about the harmful effects of drug and substance abuse, especially among youth and students". The Governor said that Prime Minister Shri Narendra Modi has envisioned a drug-free India by 2047, marking the centenary of the country's independence as one of extraordinary and unparalleled. "This collective resolve of the nation is laying the foundation for a bright future and a stronger, self-reliant India, " he added.

## Governor unveils memorial busts honoring Red Cross icons on World Red Cross Day




Guwahati,RB News: Assam Governor and President of the Indian Red Cross Society, Assam State Branch, Shri Lakshman Prasad Acharya attended the celebration of World Red Cross Day 2025 and unveiled three commemorative busts of Jean Henry Dunant, Dr. Poal Chandra Duarah, and Renuka Devi Barkataki at the Indian Red Cross Society, Assam State Branch campus in Guwahati.Speaking on the occasion, Governor Shri Acharya expressed his profound happiness in unveiling the memorials of the legendary figures who epitomize humanitarian service and selfless dedication through the motto of Red Cross. "The unveiling of busts is tributes to the selfless souls who have given true meaning to humanitarian service," the Governor remarked. Highlighting the enduring legacy of the three personalities, the Governor noted that their contributions transcend time and continue to inspire generations of Red Cross volunteers. They represent the spirit of compassion and courage. Describing the Red Cross as more than just an organization, Governor Shri Acharya lauded the Assam State Branch of the Red Cross for its deep commitment, unwavering sensitivity, and consistent efforts in public welfare. He also attributed the selfless services of the Red Cross Society to its unflinching commitment for human welfare."Humanity is not just a concept—it is an emotion," he said, adding that when one acts with compassion in response to another's pain, that is the true expression of humanity.

## Governor presents Unit Appreciation to 32 Assam Rifle personnel for exemplary service



Guwahati,RB News: In a solemn function held at Raj Bhavan today, Assam Governor Shri Lakshman Prasad Acharya presented the Unit Appreciation to the 32nd Battalion of the Assam Rifles, acknowledging their exemplary service and unwavering commitment during their deployment in the state from November 1, 2022, till date.Honoured for their outstanding performance in both operational and administrative domains, the 32 Assam Rifles received accolades for their all-round excellence, steadfast discipline, and humanitarian contributions during their tenure in Haflong, Assam. Addressing the gathering of officers and jawans, Governor Shri Acharya commended the unit, popularly known as the "Tenacious Thirty-Two, " for their distinguished legacy and consistent record of success in numerous critical operations. "The 32 Assam Rifles is not only a pillar of military strength but also a beacon of humanity, service, and compassion. Their role in maintaining peace, aiding civilians, and supporting education and development initiatives in remote areas is truly commendable, " the Governor added. Lauding the battalion's civic efforts, particularly in empowering the youth through career guidance, scholarship programs, and skill development initiatives, the Governor said that Assam Rifles has been a testament of humanity.

## BCCI to discuss IPL resumption options on Sunday: Rajeev Shukla



RB News: BCCI Vice President Rajeev Shukla has said that the board officials and IPL Governing Council will discuss on Sunday the best possible schedule to complete IPL 2025. The BCCI was forced to suspend the Indian Premier League (IPL) on Friday. Earlier, reports said BCCI has shortlisted Chennai, Hyderabad and Bengaluru to host remaining matches.

## RR sign Nandre Burger as injury replacement for Sandeep Sharma



RB News: Rajasthan Royals (RR) have picked Nandre Burger as an injury replacement for Sandeep Sharma for the remainder of the Indian Premier League (IPL) 2025 season. Sandeep Sharma, who played 10 matches for RR this season and scalped nine wickets, sustained a finger injury leading to the South African international being picked as his replacement.

# প্ৰতাৰিত সময়ৰ দিনলিপি



যুগান্ত দাস, ভৱানীপুৰ, বজালী

কাল সন্ধিয়া নৈৰ পাৰত অকলশৰে এগৰাকী মহিলা বহি থকা দেখিলে কাৰ বাৰু বুকু নকঁপিব কওকচোন। মহিলাগৰাকী দেখি মোৰ বুকুখন কঁপি উঠিছিল। গাৰ নোম থিয় হৈছিল। সমগ্ৰ শৰীৰত জোকাৰণি অনুভূত হৈছিল। ইমানৰ পিছতো বুকুত মৰসাহ গোটাই মহিলা গৰাকীৰ ওচৰ চাপি গৈছিলো এখোজ দুখোজকৈ। কোনোবা চিনাকী মহিলাও হ'ব পাৰে। এই কাল সন্ধিয়া নৈৰ পাৰত বহি আছে মানে নিশ্চয় কিবা এটা হৈছে। নতুবা অচিনাকীও হ'ব পাৰে। ক'ৰবাৰে আহিছিল আৰু বাট ভুল কৰি একো উৱাদিহ নাপায় ইয়াতে বহি আছে। যদি সঁচাকৈ কিবা বিপদত পৰিছে তেনেহ'লে সহায় কৰাটো ধৰ্ম। নেদেখিলে অৱশ্যে কথা নাছিল।

কথাখিনি ভাৱি ভাৱি কেতিয়া মহিলা গৰাকীৰ ওচৰ পালো গমেই নাপালো। মহিলা গৰাকীয়ে নৈখনৰ পিনে মুখ কৰি বহি আছিল বাবে মই তাইৰ ওচৰ পোৱাতো তাই গম পোৱা নাছিল। মই ভালদৰে মহিলা গৰাকীক নিৰীক্ষণ কৰিলো। এনে লাগিল মহিলা গৰাকী কোনোবা সম্ভ্ৰান্ত ঘৰৰেই হ'ব। বয়স বৰ এটা হোৱা নাই। হৈছে যদি ত্ৰিশ বত্ৰিশ হৈছে। অলপ সময় থিয় দি মহিলা গৰাকীক নিৰীক্ষণ কৰাৰ পিছত তাই কোনো উমঘাম নকৰা দেখি মই নিজেই মাত দিলো- "কোন আপুনি?" মোৰ মাত শুনিও তাই কোনো প্ৰতিক্ৰিয়া নেদেখুওৱাত মই পুনৰ সুধিলো-" আপুনি কোন আৰু এই কাল সন্ধিয়া ইয়াত কি কৰিছে।" এইবাৰ তাই ডিঙিটো নব্বৈ ডিগ্ৰী ঘূৰাই মোৰ ফালে বহাৰ পৰাই চালে। একেথৰে কিছু সময় চাই পুনৰ নৈখনৰ ফালে ডিঙিতো ঘূৰাই ডুব যোৱা বেলিৰ শেষ ৰঙাখিনিত দৃষ্টি নিবদ্ধ কৰি বহি ৰ'ল। মানুহগৰাকীৰ কৰ্ম কাণ্ডত মই আচৰিত নহৈ নোৱাৰিলো। মই এইবাৰ কিছু ৰুক্ষতা কণ্ঠত গুজি ক'লো- "হেৰি আপোনাক কিবা এটা সুধি আছো।"

এইবাৰ মানুহগৰাকীয়ে ক'লে -- "কি?"

মই ক'লো- "আপুনি ইয়াত এই কালসন্ধিয়াখন কি কৰিবলৈ বহি আছে।"

"আপোনাক কিয় লাগে"- মহিলাগৰাকীয়ে ওলোটাই মোক প্ৰশ্ন কৰিলে।

মহিলাগৰাকীৰ স্পৰ্ধা দেখি মোৰ খঙে চুলিৰ আগ পালে। নিজৰ খং নিজে সম্বৰণ কৰি পুনৰ ক'লো- " দৰকাৰ আছে বাবেই সুধিছো। কোন আপুনি?"

প্ৰচণ্ড খঙত মানুহগৰাকীয়ে মোৰ ফালে ঘূৰি চালে আৰু ক'লে-"মই কোন আপুনি জানি কি কৰিব। তথাপিও জানিব খুজিছে যেতিয়া শুনক মোৰ নাম ৰঞ্জিতা চলিহা। ওচৰৰ গাঁওখনতে মোৰ ঘৰ।"

মহিলা গৰাকীৰ পৰিচয়টো পাই পুনৰ সুধিলো- "ইয়াত কি কৰিছে আপুনি?"

"দেখা নাই বহি আছো"- মহিলাগৰাকীয়ে বিৰক্তিৰে উত্তৰ দিলে।

"বহি যে আছে দেখিছো কিন্তু এই কালসন্ধিয়া নৈৰ পাৰত বহিবলৈ কি মৰ চখে পালে আপোনাক?"- মই পুনৰ সুধিলো।

" আপোনাক কি চখে পালে এই কালসন্ধিয়া নৈৰ পাৰলৈ আহিবলৈ" - মানুহগৰাকীয়ে ওলোটাই মোক প্ৰশ্ন কৰিলে।

মানুহগৰাকীৰ সাহস দেখি চেল্যুট মাৰিবলৈ মন গ'ল। এগৰাকী মহিলাই কালসন্ধিয়া নিমাওমাও পৰিবেশত এজন পুৰুষৰ স'তে সমানে সমানে মুখ চলোৱা কম কথা নহয়। মই ক'লো- " মই হ'লো এজন পুৰুষ মানুহ গতিকে মোৰ কথা সুকীয়া। কিন্তু আপুনি এগৰাকী মহিলা। মহিলা এগৰাকী আমাৰ এই দেশত কিমান সুৰক্ষিত আপুনি জানেনে ? এতিয়া আপোনাৰ লগত কি কি ঘটিব পাৰে আপুনি অনুমানে কৰিব নোৱাৰিব। কিমান নৰ পিশাচ পিয়াপি দি ঘূৰি আছে কোনে জানে? বাৰু বাদ দিয়ক সেইবোৰ কথা, ব'লক আপোনাক আগবঢ়াই থৈ আহো।"

" কোনো দৰকাৰ নাই। মোক আগবঢ়াই থ'বলৈ আপোনাক মই কৈছো নেকি ? আপুনি য'লৈকে যাব আহিছে তালৈকে যাওক। মোৰ পিছত লাগি থকাৰ দৰকাৰ নাই। আৰু শুনক মৰাক মাৰিবৰ শক্তি তথা কৌশল মানুহৰ হাতত নাই। যাওক ইয়াৰ পৰা আৰু মোক অলপ সময় শান্তিত থাকিব দিয়ক। আজি কিমান বছৰৰ মূৰত যে শান্তিৰে কিছুসময় কটোৱাৰ সৌভাগ্য ঘটিছে। তাকো আপুনি আহি ভংগ কৰিলে। যাওক যাওক মুখ মেলি চাই থাকিব নালাগে।"- মানুহগৰাকীয়ে একেলেঠাৰিয়ে কথাখিনি কৈ অকণমান তপিনা দুখন দাঙি পুনৰ বহি পৰিল।

" কি মানুহহে আপুনি? কিবা এটা যে কৈছো শুনিছে নে নাই? নে আপুনিও বাতৰি কাকতৰ হেড লাইন হোৱাৰ বাসনা পুহি ৰাখিছে"- মই পুনৰ ক'লো।

" আপুনি বৰ কামোৰ হে। এটা কথাতে কিয় ইমান লাগি আছে। নিজৰ কাম কৰক আৰু আঁতৰি যাওক। চাল্লা ক'তো অলপো শান্তি নাই।- মানুহ গৰাকীয়ে বিৰক্তিৰে কথাখিনি মোলৈ নিক্ষেপ কৰিলে।

এইবাৰ আৰু নিজৰ খং দমাই ৰাখিব নোৱাৰিলো। প্ৰচণ্ড খঙত মই কৈ উঠিলো- "চাল্লা ক'তো অলপো নিৰ্জনতা বোলা বস্তু নাই। মানুহৰ সংখ্যা ইমানেই বাঢ়িছে যে পৰুৱাৰ দৰে সকলোতে পিয়াপি দি ফুৰে। শান্তিত আত্মহত্যা কৰিবলৈও ক'তো অলপো সুৰুঙা নাই। কিমান দিন অনুসন্ধান কৰি শেষত এই নৈৰ পাৰতে কামটো সমাধা কৰিম বুলি থিৰ কৰি আজি ওলাই আহিছিলো। কিন্তু আহি কি হ'ল এই ডাইনীজনী ইয়াৰ পৰা নুগুছায়ে হ'ল। মোৰ লগতে হে এইবোৰ হ'ব পাৰে নে?" "হেৰৌ ঘৰৰ মানুহ ঘৰলৈ যাওক। ঘৰত গিৰিয়েৰে বাট চাই আছে।" কথাখিনি শেষ কৰি দেখিলো মানুহগৰাকীয়ে মোৰ ফালে ভেবা লাগি চাই আছে।

মই পুনৰ সুধিলো --"ভেবা লাগি কি চাই আছে।"

"আপুনি অলপ আগত কি ক'লে"- - তাই মোক প্ৰশ্ন কৰিলে।

" কি ক'লো" --- মই ওলোটাই তাইক প্ৰশ্ন কৰিলো।

"আপুনি অলপ আগতে আত্মহত্যা বুলি কিবা এটা কোৱা শুনিলো।"- মানুহগৰাকীয়ে ক'লে।

মানুহগৰাকীৰ কথাতহে সম্বিত ঘূৰি আহিল। নিজৰ ওপৰতে এইবাৰ প্ৰচণ্ড খং উঠিল। কিহে পাইছিল বাৰু এইজনীৰ লগত মুখ চুপতি মাৰিবলৈ। মোৰ ভাৱৰ যতি পেলাই মানুহগৰাকীয়ে পুনৰ ক'লে-"আপুনি আত্মহত্যা কৰিবলৈ আহিছে।"

"অ হয় আপোনাৰ কিবা অসুবিধা আছে"- মই খঙত কৈছিলো।

"নাই নাই মোৰ কি অসুবিধা থাকিব পাৰে। কৰক কিয় বৈ আছে।"- মানুহগৰাকীয়ে কৈ উঠিল।

" আপুনি ইয়াৰ পৰা আঁতৰি যাওক।"- মই ক'লো

" যাম কিন্তু যোৱাৰ আগতে এটা কথা ক'ব নে?" — মানুহগৰাকীয়ে সুধিলে।

" কি কথা?"- মই সুধিলো।

"আপুনি কিয় আত্মহত্যা কৰিব খুজিছে।"-মানুহগৰাকীয়ে সুধিলে।

আগলৈ...

# অপাৰেচন সিন্দুৰ

লোকসকলে প্ৰাণ হেৰুৱায়। তাত নৱদম্পতীৰ, সন্তান সহতে কেইবাটাও পৰিয়ালৰ লোক আছিল। মহিলা আৰু শিশু সন্তানক সকলক এৰি দি পুৰুষ সকলক লক্ষ্য কৰি এফালৰ পৰা গুলীয়াই হত্যা কৰিছিল। যাৰ ফলত ২৬ জন পুৰুষ নিহত হ'ল মহিলা সকলৰ অকালতে সেন্দুৰ মচা গ'ল। গোটেই ভাৰতবৰ্ষ এই নৰসংহাৰত জ্বলি উঠিছিল। নিৰীহ লোকক তেজেৰে এনেকৈ ফাঁকুখেলা সকলোৰে ইয়াৰ উচিত প্ৰত্যুত্তৰ বিচাৰি জনসাধাৰণ জাগ্ৰত হ'ল।

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ৰাজনৈতিক দল, বিৰোধী দলপতি সকলোৰে লগত আলোচনাত মিলিত হ'ল। নৌ সেনা, স্থল সেনা, বায়ুসেনাৰ প্ৰধান বিষয়া সকলৰ লগত আলোচনাত বহিল। সেই মৰ্মে ২০২৫ চনৰ মে মাহৰ ৬ তাৰিখ মঙ্গলবাৰে নিশা ১বাজি ৫, মিনিটৰ পৰা ১বাজি ৩০মিনিটলৈ পাকিস্তান আৰু প্ৰাক অধিকৃত কাশ্মীৰৰ ভূমিত সন্ত্ৰাসবাদীৰ ঘাটিবোৰত ড্ৰোণৰ সহায়ত মিছাইলেৰে আক্ৰমণ কৰি বিধ্বস্ত কৰে। বহুত কেইজন সন্ত্ৰাসবাদী আহত আৰু নিহত হয়। সৈনিক সকলে ইয়াৰ নাম দিয়ে অপাৰেচন সিন্দুৰ এই অভিযান মাত্ৰ ২৫ মিনিট চলিছিল। ভাৰতীয় সৈনিক সকলে সফলতাৰে নিজৰ অভিযান সামৰিলে।

ভাৰতীয় সেনাৰ অফিচিয়েলৰ ফালৰ পৰা কোৱা হৈছে যে ভাৰতে মাত্ৰ পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ৯ টা ঘাটি আক্ৰমণৰ লক্ষ্য কৰি লৈছিল, ভাৰতীয় সেনাই কোনো পাকিস্তানী সামৰিক বাহিনীৰ ঘাটিত আক্ৰমণ কৰা নাছিল। তাৰ প্ৰত্যুত্তৰত পাকিস্তানী সেনা বাহিনীয়ে উত্তৰ আৰু পশ্চিম ভাৰতৰ আৱন্তিপুৰা, শ্ৰীনগৰ, জম্মু, পাঠানকোট, অমৃতসৰ, কাপুৰথালা, জলন্ধাৰ, লুধিয়ানা, আদমপুৰ, ভাটিন্দা, চণ্ডীগড়, নল, ফালোডী, উত্তৰলাই, আৰু ভূজকে ধৰি কেইবাটাও ভাৰতীয় সামৰিক বাহিনীৰ ঘাটিত ড্ৰ'ন আৰু মিছাইলৰ সহায়ত আক্ৰমণ কৰিছে যিবোৰ ভাৰতীয় সেনাই UAS Grid আৰু Air Defence systems ৰ সহায়ত নিষ্ক্ৰিয় কৰি পাকিস্তানৰ আক্ৰমণক বিফল কৰিছে। পাকিস্তানে কৰা এই আক্ৰমণৰ বহু কেইটা সামগ্ৰী সেই স্থানৰ পৰা উদ্ধাৰ কৰা হৈছে যিয়ে পাকিস্তানীৰ সৈনিকে ভাৰতীয় সামৰিক ঘাটিত আক্ৰমণ কৰিছে তাৰ উপযুক্ত প্ৰমাণ পোৱা গৈছে।

সেই প্ৰত্যুত্তৰত আজি ৰাতিপুৱা ভাৰতীয় সেনাই পাকিস্তানৰ বিভিন্ন ঠাইত পাকিস্তানী সৈনিক Air Defence Radars and systems ক আক্ৰমণৰ টাৰ্গেট কৰে আৰু আক্ৰমণ কৰে। ইতিমধ্যে পাকিস্তানৰ লাহোৰত পাকিস্তানী সেনাৰ Air Defence Radars and systems ভাৰতীয় সৈনিকে ধ্বংস কৰা বুলি তথ্য পোৱা গৈছে।

ভাৰতীয় সেনায়ে এই কথা স্পষ্ট কৰিছে যে পাকিস্তানী সৈনিকে যদি এই দৰে আক্ৰমণ কৰি থাকে ভাৰতৰ সৈনিক সকল বহি নাথাকে ইয়াৰ সমানে উপযুক্ত প্ৰত্যুত্তৰ দি যাব। অপাৰেচন সিন্দুৰ ভাৰতীয় সেনাৰ উচিত প্ৰত্যুত্তৰ। ভাৰত মাতাৰ কাৰণে সেৱা আগবঢ়োৱা দিনেশ শৰ্মা, কমল কম্বোজ, অমিত চৌধুৰী, সুৰয যাদৱ আদি কৰি কেইবাগৰাকী বীৰ শ্বহীদ হৈছে। মহিলা সকলো পিছ পৰি থকা নাই কৰ্ণেল ছফিয়া কুৰেছী আৰু উইং কামাণ্ডাৰ ব্যোমিকা সিং এই দুয়ো গৰাকী মহিলাই অপাৰেচন সিন্দুৰ প্ৰতিটো তথ্য সকলো ভালতীয়ৰ আগত দাঙি ধৰিছে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286